# SOUMARJYOTI

## JOURNAL OF HISTORY - 2006-07

**HISTORY ASSOCIATION**
DULIAJAN COLLEGE

**Editor : Bhupen Saikia**

'SOUMARJYOTI' a Journal of History published on the occasion of the Biannual Conference of History Association of Duliajan College. Edited by Bhupen Saikia, Deptt. of History, Duliajan College and published by History Association, Duliajan College, 2007.

Editor : Bhupen Saikia
Sr. Lecturer
Department of History
Duliajan College

Cover Design : Mukut Kr. Sarmah

Price : Rs. 20 only

Printed at : Associated Printers
BOC Gate
Duliajan 786 602

## উচৰ্গা

অসম তথা ভাৰতবৰ্ষৰ

এগৰাকী বিশিষ্ট বুৰঞ্জীবিদ

দিপ্তী প্ৰসাদ বৰুৱা দেৱৰ

পবিত্ৰ স্মৃতিত

সৌমাজ্যোতিৰ

এই সংখ্যাটি উচৰ্গা কৰা হ'ল।

*সম্পাদক*
'সৌমাৰজ্যোতি' ২০০৬-০৭
বুৰঞ্জী সংস্থা
দুলীয়াজান মহাবিদ্যালয়

# DULIAJAN COLLEGE

**P. O. DULIAJAN - 786 602**

Dist. Dibrugarh (Assam)

(Registered Under The Societies Registration Act. XXI of 1860

Registration No. 279 of 1977-78

Under Section 2 (F) and 12 (B) of the UGC Act, 1956


## Message

I am glad to learn that the History Association, Duliajan College decided to publish the "Journal of History" containing special Historical articles. I convey my best wishes to the teachers of History department for this efforts.

I wish all the success for this endeavour.

**(Dr. A.K. Gogoi)**
Principal
Duliajan College

# INTERNAL QUALITY ASSURANCE CELL

## DULIAJAN COLLEGE

(NAAC Accredited at B+ Level Institution)

## Message

I am very much happy and enthusiastic to know that the History Association of Duliajan College, is going to publish the **"Soumarjyoti"** Departmental Annual Journal, 2006-2007.

I hope such venture will enhance immensely the Academic Quality of the College in general and the History Department in particular.

Date : 01-08-2007
Place : Duliajan College, Duliajan

(T. Sonowal)
Co-ordinator
IQAC, Duliajan College

## সম্পাদকীয়

# বুৰঞ্জী শিক্ষকৰ মহানতা

সাম্প্ৰীতিক শিক্ষা ব্যৱস্থাত শিক্ষকসকলে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। কোনো এজন শিক্ষকৰ যদি শিক্ষাদান কৰাৰ মানসিকতা নাথাকে, তেন্তে শিক্ষাদান ব্যৱস্থা কেতিয়াও উন্নত হ'ব নোৱাৰে। শিক্ষাদান ব্যৱস্থাৰ সমগ্ৰ প্ৰক্ৰিয়াটো নিৰ্ভৰ কৰে শিক্ষকজনৰ ওপৰত। শিক্ষাদানত যদি শিক্ষকজনে গুৰুত্ব নিদিয়ে তেন্তে শিক্ষাব্যৱস্থা, শিক্ষানুষ্ঠান অথবা ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব নোৱাৰে। শিক্ষাদান পদ্ধতি আগবঢ়াই নিয়াৰ মূল মানুহজন হ'ল শিক্ষকজন। সকলোতকৈ বুৰঞ্জী শিক্ষকজনৰ গুৰুত্ব আধক এহেতু বুৰঞ্জীৰ শিক্ষকজনে অতীত ইতিহাসৰ ভিত্তিত ভৱিষ্যতত এখন সুস্থ সমাজ গঢ়াৰ শিক্ষাদান দি এখন বিশুদ্ধ সমাজ গঢ়িব পাৰে।

উৎসাহী তথা দক্ষতাসম্পন্ন এজন বুৰঞ্জী শিক্ষকে ভৱিষ্যত প্ৰজন্মৰ বাবে বুদ্ধিদীপ্ত তথা দায়িত্বশীল নাগৰিক আৰু নেতাৰ জন্ম দিব পাৰে। তেওঁ অপৈণত মানৱ সম্পদক পৈণত মানৱ সম্পদলৈ ৰূপান্তৰিত কৰিব পাৰে। এনেধৰণৰ পৈণত মানৱ সম্পদে ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত দায়িত্বশীল নেতা হিচাপে মানৱ সেৱা আগবঢ়াব পাৰে। অৰ্থাৎ এজন ছাত্ৰৰ ভৱিষ্যতৰ লগতে বিদ্যালয়খনৰ ভৱিষ্যত, জাতি তথা দেশৰ ভৱিষ্যতৰ উপৰিও সামগ্ৰিকভাৱে সমগ্ৰ মানৱ জাতিৰ ভৱিষ্যত নিৰ্ভৰ কৰে একোজন বুৰঞ্জী শিক্ষকৰ ওপৰত। জাতীয় বীৰ-বীৰাঙ্গনাৰ কাহিনীৰে ছাত্ৰ-ছাত্ৰীসকলক স্বদেশপ্ৰীতি বঢ়াব পাৰে বুৰঞ্জীৰ শিক্ষকজনে। জাতীয় শিক্ষা প্ৰদানেৰে ভৱিষ্যত প্ৰজন্মক শুদ্ধ পথেৰে আগবঢ়াই নিবলৈ হ'লে বুৰঞ্জীৰ শিক্ষকজন সকলো ক্ষেত্ৰতে আগ্ৰহী, উৎসাহী তথা দক্ষ হ'ব লাগিব। তেওঁ জাতি, বৰ্ণ, ধৰ্ম্ম, ৰাজনৈতিক দলৰ উদ্ধত হ'ব লাগিব। অৰ্থাৎ তেওঁৰ দৃষ্টিভঙ্গী হ'ব লাগিব মানৱতাবাদী উদাৰ তথা বিজ্ঞানসন্মত। তেতিয়াহে তেওঁ একোটা জাতিৰ প্ৰকৃত ইতিহাস গঢ়িব পাৰিব।

সৌমাৰজ্যোতিৰ বিষয়ে ঃ দুলীয়াজান মহাবিদ্যালয়ৰ বুৰঞ্জী সংস্থা আৰু বুৰঞ্জী বিভাগৰ আলোচনী "সৌমাৰজ্যোতি" সম্পাদনাৰ দায়িত্ব পোৱাত আনন্দিত হৈছো যদিও বুৰঞ্জীমূলক লেখা পোৱাটো বৰ টান। যিসকল সদাশয় লেখকে আমাক প্ৰবন্ধ-পাতি যোগান ধৰি সৌমাৰজ্যোতিখন পাঠকৰ হাতত তুলি দিবলৈ সুবিধা দিলে, সেইসকল লেখক-লেখিকালৈ আমাৰ কৃতজ্ঞতাৰ শৰাইখন আগবঢ়ালো। ইয়াৰে দুটামান প্ৰবন্ধৰ গুৰুত্ব বুজি পুৰণি আলোচনীৰ পৰা সংগ্ৰহ কৰা হৈছে। দুলীয়াজানৰ অইল ইণ্ডিয়া লিমিটেডে আমাক বিশেষকৈ বিজ্ঞাপন এটি নিদিয়া হ'লে সৌমাৰজ্যোতিখনি ৰাইজৰ আগলৈ উলিয়াই দিব নোৱাৰিলোহেঁতেন। গতিকে অইল ইণ্ডিয়া লিমিটেড আৰু অসম গেছ কোম্পানীক আমি এইখিনিতে তেখেতসকলৰ বদান্যতাৰ শলাগ ল'লো।

শেষত দুলীয়াজান মহাবিদ্যালয় বুৰঞ্জী সন্থাৰ উত্তৰোত্তৰ কামনাৰে—

ভূপেন শইকীয়া
সম্পাদক,
সৌমাৰজ্যোতি, ২০০৬-০৭

০৪-০৮-০৭
ইতিহাস বিভাগ
দুলীয়াজান মহাবিদ্যালয়

# সূচীপত্ৰ


| | | | |
|---|---|---|---|
| ⊙ | বৈষ্ণৱ যুগত অসমৰ শিক্ষা-ব্যৱস্থা | ড০ হেমন্ত কুমাৰ শৰ্মা | ১ |
| ⊙ | ইতিহাসৰ পাত মেলি ৰাণী ৰাজ্য | ৰমেশ চন্দ্ৰ কলিতা | ৭ |
| ⊙ | হস্তি বিদ্যাৰ্ণৱ | সৰোজিনী দেৱী গোঁহাই | ১৪ |
| ⊙ | আহোমসকলৰ আগমনৰ সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজনৈতিক পৰিস্থিতি | ভবেন খনিকৰ | ১৬ |
| ⊙ | শিৱসাগৰ আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলত সিঁচৰিত আহোম যুগৰ স্থাপত্য ভাস্কৰ্য্য আৰু কীৰ্তিচিহ্নবোৰ | চাবানা খান | ২১ |
| ⊙ | আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য্য আৰু ইয়াৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা | অনু সোনোৱাল | ২৯ |
| ⊙ | বুৰঞ্জীৰ দৃষ্টিকোণত 'জয়পুৰ' | পুলক গগৈ | ৩৩ |
| ⊙ | A renowned Assamese historian Dr. Lila Gogoi : Life and nis Achievements | Bhupen Saikia | ৩৫ |
| ⊙ | Neo-Vaishnavism and Srimanta Sankardeva | Rubul Khataniar | ৪০ |
| ⊙ | A brief account of the gestation and birth of Duliajan College Museum | Nabin Chandra Gohain | ৪২ |
| ⊙ | Departmental Report 2006-2007 | | ৪৪ |




# বৈষ্ণৱ যুগত অসমৰ শিক্ষা-ব্যৱস্থা

ড০ হেমন্ত কুমাৰ শৰ্মা

অসমৰ ধৰ্ম, সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত বৈষ্ণৱ যুগ অসমৰ বুৰঞ্জীৰ এটি গৰিমামণ্ডিত সোণালী অধ্যায়। এই যুগতেই শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, ৰামসৰস্বতী, অনন্ত কন্দলী, গোপালআতা, ভট্টদেৱ প্ৰমুখ্যে ধৰ্ম-প্ৰচাৰক আৰু সাহিত্যিকসকলে অসমত পৱিত্ৰ নামধৰ্ম প্ৰচাৰ কৰিলে, অসমীয়া সমাজৰ সংস্কাৰ সাধিলে আৰু গীত-পদ-নাট আদি ৰচি অসমৰ জনগণক সাহিত্য তথা ভক্তি ৰসেৰে মোহিত আৰু পুলকিত কৰি তুলিলে। এনে হেন এটি স্বৰ্ণযুগত অসমৰ শিক্ষা-ব্যৱস্থা তথা শিক্ষা-দীক্ষা সম্বন্ধীয় অৱস্থানো কেনেকুৱা আছিল সেইটো স্বভাৱতে আমাৰ জানিবলৈ মন যায়।

বৈষ্ণৱ যুগত অৰ্থাৎ পঞ্চদশ শতিকাৰ শেষভাগৰ পৰা সপ্তদশ শতিকাৰ শেষলৈকে প্ৰচলিত অসমৰ শিক্ষা-ব্যৱস্থাৰ বিষয়ে জানিবলৈ হ'লে চৰিত-পুথি, বুৰঞ্জী আৰু ৰাজ-বংশাৱলীৰ ওচৰ চাপিব লাগিব। বৈষ্ণৱ-পূৰ্ব যুগৰদৰে এই যুগতো অসমৰ শিক্ষা-ব্যৱস্থা আৰ্য-ধৰ্মানুকুল আছিল। সৰস্বতী, কন্দলী, বাগীশ, ভাৰতী আদি উপাধিয়ে সংস্কৃত চৰ্চাৰ কথাকে উনুকিয়ায়। প্ৰাচীন কালৰ দৰে এই যুগতো শিক্ষাদানৰ কাৰণে গুৰু-গৃহ, ছাত্ৰশালা বা টোল আছিল। ভালেমান টোল ৰাইজৰ দানেৰে খোলা হৈছিল। এনে শিক্ষানুষ্ঠানত সংস্কৃত ভাষাৰ মাধ্যমেৰে বেদ, বেদাঙ্গ, স্মৃতি, পুৰাণ, কাব্য আদি অধ্যয়ন কৰিব লাগিছিল। তদুপৰি ৰাজদৰবাৰ আৰু বিশেষকৈ সত্ৰবোৰতো নানান শাস্ত্ৰৰ অধ্যয়ন বা চৰ্চা হৈছিল। সেই সময়ত বটদ্ৰৱা অশ্বক্ৰান্ত, হাজো, শ্ৰীহাটি, দামোদৰ ধাম, ব্যাসকুছি, বহোৰি, ৰত্নপুৰ, শালকোচা, কোচবিহাৰ আদিত ছাত্ৰশাল বা টোল আছিল। টোলত ল'ৰাৰ উপৰি বয়সিয়াল লোকেও পঢ়িছিল। টোলত নাম-ভৰ্তি কৰাৰ সময়ত গুৰু-মাননি দিব লাগিছিল। 'কথা-গুৰুচৰিত'ত (পৃঃ২৫) আছে, বুঢ়ীমাক খেৰসুঁতীয়ে অধ্যাপক মহেন্দ্ৰ কন্দলীক 'চাউল এপাচি, টকা এটি আৰু আগত বস্ত্ৰ' দি শঙ্কৰক পঢ়ুওৱাৰ বন্দোৱস্ত কৰিছিল। শিক্ষা বছৰৰো তেনে কোনো নিৰ্দিষ্ট দিন নাছিল; 'সজ বাৰ, তিথি চাই' বিদ্যা আৰম্ভ কৰা হৈছিল।

অধ্যাপকসকল ব্ৰাহ্মণ আছিল আৰু তেওঁলোকৰ ঘৰ বা বাটৰ কাষতেই টোল আছিল। জাতি, বৰ্ণ, নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ ছাত্ৰকে শিক্ষাদান কৰা হৈছিল। অব্ৰাহ্মণ ছাত্ৰ শঙ্কৰে বৰদোৱাৰ মহেন্দ্ৰ কন্দলীৰ, মাধৱে বাঙুকাত ৰাজেন্দ্ৰ অধ্যাপক, পঢ়িয়াআতৈয়ে শ্ৰীহাটীৰ যাদবেন্দ্ৰ ভট্টাচাৰ্যৰ আৰু হৰিচৰণে পাটকীয়া জয়বৰ অধ্যাপকৰ

টোলত পঢ়িছিল। সাধাৰণতে ছাত্ৰসকলে গুৰুৰ ঘৰত থাকি পঢ়া-শুনা কৰিছিল। তেওঁলোকে টোলৰ ঘৰ-চোতাল সাৰি মচি চাফ চিকুণকৈ ৰাখিছিল। টোলবোৰত ব্ৰাহ্মণ-ছাত্ৰই সৰহ আছিল আৰু বুদ্ধি-পাৰদৰ্শিতাৰ কাৰণে টোলত তেওঁলোকৰ আন ছাত্ৰতকৈ প্ৰভাৱো আছিল অধিক। গুৰুৱে সাধাৰণতে শ্ৰেণীৰ ভিতৰত যোগ্যতম বিবেচিত ছাত্ৰকহে ওজা ছাত্ৰ ৰূপে নিয়োগ কৰিছিল। মহেন্দ্ৰ কন্দলীয়ে অব্ৰাহ্মণ বুলি জানিও শঙ্কৰক 'ওজা ছাত্ৰ' ৰূপে নিয়োগ কৰাত ব্ৰাহ্মণ ছাত্ৰবোৰে অসূয়া কৰিছিল যদিও ইয়াত গুৰুৰ উদাৰতাৰ প্ৰমাণ পোৱা যায়।

দেশত সংস্কৃত শিক্ষা প্ৰচাৰৰ কাৰণে ৰজাসকলেও পৃষ্ঠপোষকতা কৰিছিল। বিক্ৰমাদিত্যতুল্য মহাৰাজ নৰনাৰায়ণে অকল যে ৰাজসভাতেই সংস্কৃত পণ্ডিত ৰাখিছিল এনে নহয়, প্ৰজাসকলকো সংস্কৃত শিকাবলৈ যত্ন কৰিছিল। তেওঁ কৈছিল, "দোকানী, চাকৰী, চিপাহী, পিয়দা, ধোপধৰা, গৰমলি, ভৰাৰি, মহলীয়া, সদাগৰ, নট-ভাট সবেও সংস্কৃত শিখক অসম ব্যাকৰণ"(ক,গু,পৃ ১৯২)। ফলত বিভিন্ন শ্ৰেণীৰ লোকে সংস্কৃত শিকাৰ সুবিধা পাইছিল। এবাৰ কবিচন্দ্ৰ নামে ভাটীদেশৰ এজন পণ্ডিতে তৰ্ক কৰিবলৈ আহিছিল; কিন্তু বাটত যাকে লগ পায় সেয়ে সংস্কৃতত উত্তৰ দিয়াত তেওঁ আচৰিত হৈ কৈছিল, "দেশ এই খানেই পণ্ডিত বৈ" (ক,গু,পৃঃ ১৯৩)।

টোলবোৰত বিভিন্ন পাঠ্যক্ৰম আছিল আৰু সেইমতে পাঠ্যদান কৰা হৈছিল। চতুৰ্বেদ চৈধ্য শাস্ত্ৰ, অষ্টাদশ পুৰাণ, মহাভাৰত, সংহিতা
চৈধ্য শাস্ত্ৰ, অষ্টাদশ পুৰাণ, মহাভাৰত, সংহিতা
চৈধ্য ব্যাকৰণ, ওঠৰ কাব্য, কোষ, তন্ত্ৰ আদি পাঠ্যক্ৰমৰ ভিতৰুৱা আছিল। চৰিত পুথিমতে শঙ্কৰে এইসকলোবোৰ কম দিনৰ ভিতৰতে আয়ত্ত কৰিছিল। মাধৱদেৱে এক বছৰত 'সাত ব্যাকৰণ, ভাৰত, পুৰাণ আৰু ভাগৱত' পঢ়িছিল। পুৰণি শাস্ত্ৰ অধ্যয়ন আৰু জ্ঞান আহৰণৰ প্ৰতি মানুহৰ এনে ধাউতি আছিল যে সমৰ্থবান লোকে জ্ঞান অৰ্জনৰ বাবে বাৰানসী, নৱদ্বীপ, মিথিলা আদি ভাৰতৰ বিভিন্ন শিক্ষাকেন্দ্ৰলৈ গৈ অধ্যয়ন কৰিছিল। ৰজা নৰনাৰায়ণ আৰু চিলাৰায়ে বাল্যকালত বাৰানাসীৰ ব্ৰহ্মানন্দ সন্ন্যাসীৰ অধীনত পঢ়াৰ কথা 'দৰং ৰাজবংশাৱলী'ত এনেদৰে বৰ্ণাইছে—

পিতৃৰ চৰণ দুই ভাই বন্দিলন্ত।
পঢ়িবাক লাগি বৰানসীক গৈলন্ত॥ ২৬৬
ব্যাকৰ্ণ পুৰাণ শ্ৰুতি স্মৃতি মীমাংসাৰ।
শিকিলন্ত অস্ত্ৰ শাস্ত্ৰ অথৰ্ব বেদৰ॥ ২৬৭
সম দম দায়া ভেদ ন্যায় নীতি যত।
জ্যোতিৰ্বেদ তৰ্ক-শাস্ত্ৰ শিকে নানামত॥ ২৬৮

দেশত সংস্কৃতৰ উপৰি পাৰ্চী ভাষাৰো চৰ্চা হৈছিল আৰু গীত ৰচনাত এই ভাষাৰ শব্দও প্ৰয়োগ কৰা হৈছিল।

সত্ৰবোৰত উল্লেখিত গ্ৰন্থৰ উপৰি মহাপুৰুষসকলে ৰচা পদপুথি, কাব্য, গীত-পদ আদি চৰ্চা কৰা হৈছিল। সত্ৰত পুথিগত বিদ্যা বা ধৰ্মকথা প্ৰচাৰ বা গ্ৰহণৰ ক্ষেত্ৰত কোনো জাতিবৰ্ণৰ বিচাৰ কৰা নহৈছিল। সাধাৰণ বা দুখীয়া ঘৰৰ ছাত্ৰ বা বয়সিয়াল লোকেও বিদ্যা গ্ৰহণ কৰিব পাৰিছিল। সত্ৰসমূহ ধৰ্ম-চৰ্চাৰ কেন্দ্ৰথলী হোৱাত আৰু





সত্ৰৰ লগত জনসাধাৰণৰ মধুৰ সম্বন্ধ ঘটাত সকলো শ্ৰেণীৰ লোকে সত্ৰত ধৰ্ম চৰ্চা তথা জ্ঞান আহৰণৰ সুবিধা পাইছিল আৰু এই ক্ষেত্ৰত ধৰ্মপ্ৰচাৰক সকলেও সহায় কৰিছিল। যেনে ভৱানীপুৰীয়া গোপালআতাই ফলি পেঞ্চিল নোহোৱাকৈয়ে লক্ষ্মণ ওজাক একাদশ স্কন্ধ ভাগৱত পঢ়ুৱাইছিল (ক,গু,পৃঃ২৭০)। বুঢ়াআতাৰ দৰে আন বয়সিয়াল লোকেও পঢ়াৰ প্ৰতি আগ্ৰহ দেখুৱাইছিল (ক,গু,পৃঃ ৩১১)। দাউকী গাৱঁৰ বুঢ়া-বুঢ়ীৰ ঘটনাৰ পৰা জনা যায় যে বুঢ়ীয়ে বুঢ়াক নিতৌ সত্ৰলৈ হৰিনাম শুনিবলৈ পঠায়। সত্ৰৰ পৰা উভতি আহি শুনা নামখিনি বুঢ়ীৰ আগত ক'ব লাগে। এদিন ক'ব নোৱাৰাত বুঢ়ীয়ে ভাত নিদিলে। পিছত আকৌ সত্ৰৰ পৰা শিকি আহি বুঢ়ীক শুনোৱাতহে বুঢ়ীয়ে ভাত দিছিল (ক, গু, পৃঃ ৩৩২)। চন্দ্ৰী আইৰ দৰে তিৰোতাই আকৌ গীতাৰ শ্লোকৰ অৰ্থ কৈছিল। টোলত শঙ্কৰ-মাধৱৰ দৰে যেনেকৈ চোকা ছাত্ৰ আছিল, তেনেকৈ ঘিলাই বামুণৰ দৰে কেঁচা ছাত্ৰও আছিল।

পণ্ডিত লোকসকলে কেৱল জ্ঞান আহৰণতে ব্যস্ত নাথাকি বিভিন্ন ঠাইৰ পণ্ডিতৰ লগত তৰ্ক কৰি পাণ্ডিত্যৰ পৰিচয় দিছিল আৰু দেশৰ খ্যাতি আনিছিল। সাধাৰণতে ৰাজপণ্ডিত বা ধৰ্মগুৰুসকলৰ লগতে বিদেশৰ পণ্ডিতৰ তৰ্ক হৈছিল। তৰ্কত জিকিলে উপাধি বা বঁটা-বাহন লাভ কৰিব পাৰিছিল। শঙ্কৰদেৱৰ উপৰি পুৰুষ চণ্ডীবৰে শান্তিপুৰৰ পণ্ডিত চন্দ্ৰ কবিক (বা কবি চন্দ্ৰ) তৰ্কত হেৰুৱাই ৰজা দুৰ্লভনাৰায়ণৰ পৰা সন্মান আৰু অৰ্থ লাভ কৰিছিল (ক, গু, পৃঃ ১১)। সাৰ্বভৌম ভট্টাচাৰ্য্যই কাশী-বাৰানসীত পঢ়ি শঙ্কৰদেৱৰ লগত তৰ্ক কৰিবলৈ আহিছিল; কিন্তু পৰাজয় মানি শঙ্কৰদেৱৰ শৰণাপন্ন হৈছিল। (ক, গু,পৃঃ ৪২-৪৩)। খৰ্গেশ্বৰ নামৰ এজন সন্ন্যাসীয়ে কপিলা গৰুৰ ওপৰত শাস্ত্ৰ আৰু তাৰ ওপৰত নিজে বহি শঙ্কৰদেৱৰ লগত প্ৰথম তৰ্কতেই লাজ অপমান পাই উলটি যাবলৈ বাধ্য হয়। অৱশ্যে বাহিৰৰ পণ্ডিতসকলে যে কেৱল তৰ্ক কৰিবলৈকে আহিছিল এনে নহয়, ধৰ্মগ্ৰন্থ আলোচনাৰ কাৰণেও উপযুক্ত লোক বিচাৰি কামৰূপ-অসমলৈ আহিছিল। জগদীশ মিশ্ৰ নামে বাৰানসীৰ এজন পণ্ডিতে ভাগৱত-শাস্ত্ৰ লৈ আহি এক বছৰ ধৰি শঙ্কৰদেৱৰ ওচৰত পঢ়িছিল। সেইদৰে শঙ্কৰদেৱেও পুৰীলৈ গৈ পাণ্ডাসকলৰ আগত 'ব্ৰহ্মপুৰাণ' ৰ কথা ব্যাখ্যা কৰিছিল (শ্ৰী,গু, ৫৯)। এইদৰে ভাৰতৰ অন্যান্য ঠাইৰ লগত অসমৰ পণ্ডিতৰ বিশেষ যোগাযোগ ঘটিছিল।

দেশত নৱ-বৈষ্ণৱ ধৰ্মৰ সোঁত প্ৰবলভাৱে বৈছিল যদিও একাংশ লোকে বিভিন্ন দেৱ-দেৱীও পূজা কৰিছিল। গতিকে তেওঁলোকৰ মাজত তন্ত্ৰ-মন্ত্ৰৰ চৰ্চাও হৈছিল। শঙ্কৰদেৱৰ দুজন উপৰি পুৰুষে বীজ, মন্ত্ৰেৰে ব্ৰহ্মা আৰু চন্দ্ৰক আৰাধনা কৰি পুত্ৰ লাভ কৰাৰ বিৱৰণ চৰিত পুথিত পোৱা যায়। অধ্যাপক মহেন্দ্ৰ কন্দলীয়ো আৰম্ভণিতেই ছাত্ৰ শঙ্কৰক দুৰ্গাৰ মন্ত্ৰ শিকাব খুজিছিল। যোগশাস্ত্ৰও অধ্যয়ন কৰা হৈছিল। দেশৰ ঠায়ে ঠায়ে বৌধমতীয়া টাটকীয়া আছিল। সিহঁতে যাদুমন্ত্ৰ জানিছিল আৰু মানুহক বাজী দেখুৱাইছিল (ক, গু, পৃঃ

২২)। কেতিয়াবা ব্যাধি জাপি দি পুনৰ ভাল কৰি মানুহৰ পৰা টকা-পইচা আদায় কৰিছিল। (ক, গু, পৃঃ ৪৫)। এনেলোকক শঙ্কৰদেৱে পাষণ্ড বুলি নিন্দা কৰিছিল।

দেশত জ্যোতিষ-বিদ্যাৰো বিশদ চৰ্চা হৈছিল। জ্যোতিষীয়া বিপ্ৰসকলে ৰাজঘৰ বা প্ৰজাঘৰৰ কোনো বিশেষ কাৰ্য্যৰ কাৰণে শুভ দিন-বাৰ লগ্ন চাই দিছিল। কোঁচৰজা আৰু আহোম স্বৰ্গদেওসকলে জ্যোতিষ বিদ্যাত গভীৰ বিশ্বাস ৰাখি কাম কৰিছিল। আনকি শঙ্কৰদেৱেও জ্যোতিষৰ প্ৰতি অৱহেলা কৰা নাছিল। কেইবাজনো দৈৱজ্ঞ ব্ৰাহ্মণ শঙ্কৰদেৱৰ প্ৰিয় শিষ্য আছিল। দেশত কায়থেলী বিদ্যাৰো প্ৰচলন আছিল। মাধৱদেৱে সংস্কৃত শিক্ষা সাং কৰি বাণ্ডুকাৰ পৰা অসমলৈ উভতি আহি কায়থেলী বিদ্যা আয়ত্ত কৰিছিল (ক, গু, পৃঃ ৬২)।

টোলত গুৰুৱে ছাত্ৰসকলক পাঠদানৰ মাজে মাজে প্ৰশ্ন সুধিছিল। সেইদৰে সত্ৰ বা নামঘৰতো কোনো ধৰ্মগ্ৰন্থ পাঠ হ'লে তাৰ জটিল তত্ত্বৰ বিষয়ে প্ৰশ্নৰ অৱতাৰণা কৰা আৰু সেই বিষয়ে আলোচনা কৰা হৈছিল। ছাত্ৰ বা শিষ্যসকলৰ গুৰুৰ প্ৰতি অগাধ ভক্তি আছিল। গুৰুসকলেও ছাত্ৰ-শিষ্যক অশেষ স্নেহ কৰি শিক্ষা-দীক্ষা দিছিল।

এই যুগটোত অসমৰ শিক্ষা-দীক্ষা প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত কোঁচ ৰজাসকলৰ দানৰ কথাই বেছিকৈ জনা যায়। কোঁচ ৰজাসকল বিদ্যোৎসাহী আছিল। তেওঁলোকৰ ৰাজসভাত বৈষ্ণৱ কবিসকলৰ উপৰি বিভিন্ন বিষয়ৰ পণ্ডিত লোক আছিল। এই সম্পৰ্কে গুণাভিৰাম বৰুৱাই লিখিছে, "নৰনাৰায়ণ ৰজাই কামৰূপত বিদ্যাশিক্ষাৰ বৰ উৎসাহ দিলে, কায়স্থ আৰু কলিতা জাতিৰ কোনো কোনো লোকে অঙ্ক ইত্যাদি শিক্ষাৰ নিমিত্তে পুস্তক ৰচনাৰ উদ্যোগ কৰিলে" (আ, বু, পৃঃ ১৮৩)। ৰজাৰ এনে পৃষ্ঠপোষকতাৰ গুণতেই বিভিন্ন বৈষ্ণৱ গ্ৰন্থৰ উপৰিও পুৰুষোত্তম ভট্টাচাৰ্য্যৰ 'ৰত্নমালা ব্যাকৰণ', শ্ৰীধৰৰ 'খণ্ডসাধ্য'ৰ অনুবাদ আৰু বকুল কায়স্থৰ 'লীলাৱতী' নামৰ গণিত শাস্ত্ৰ ৰ ভাঙনি হয় (দ, ৰা, পৃঃ, ১২৩-২৪)। প্ৰাচীন কালৰে পৰা অসমত স্মৃতিশাস্ত্ৰৰ চৰ্চা বিশেষভাৱে হৈছিল। বৈষ্ণৱ-পূৰ্ব যুগত কবিভাৰতী, বেদাচাৰ্য্য, নীলাম্বৰাচাৰ্য্য, দামোদৰ মিশ্ৰ আদিয়ে আৰু বৈষ্ণৱ যুগত পীতাম্বৰ সিদ্ধান্তবাগীশে কেইবাখনো স্মৃতিশাস্ত্ৰ ('কৌমুদী' বুলি জনাজাত) প্ৰণয়ন কৰি গৈছে।

কোঁচ ৰজাসকলে যুদ্ধবিদ্যাৰ প্ৰতিও মনোনিৱেশ কৰিছিল। মহাৰাজ নৰনাৰায়ণ নিজে মল্লবীৰ আছিল আৰু তেওঁ দেশৰ লোকক মল্লযুদ্ধ শিক্ষাৰ কাৰণে উৎসাহ দিছিল (আ, বু, পৃঃ ৪৩)। অৱশ্যে কোঁচ ৰজাসকলৰ কোনো সামৰিক বিদ্যালয় থকাৰ সম্ভেদ পোৱা নাযায়।

আহোম স্বৰ্গদেওসকলৰ সামৰিক বিদ্যালয় নাথাকিলেও নিয়মীয়াকৈ যুদ্ধৰ প্ৰশিক্ষণ দিয়া হৈছিল। বহু প্ৰজাই ভাল ৰণুৱা হৈ ৰজাৰ পৰা বঁটা-বাহন পোৱাৰ আশাৰে সৰুৰে পৰা শেল-যাঠি-তৰোৱালৰ ব্যৱহাৰ আৰু ধনুবিদ্যা শিকিছিল। আহোম ৰজাই এটি





শক্তিশালী নৌবাহিনী ৰাখিছিল। আহোম ৰজাৰ পৃষ্ঠপোষকতাত শিল্প আৰু স্থাপত্য বিদ্যাৰো উৎকৰ্ষ হৈছিল। মোমাই তামুলী বৰবৰুৱাই সোণাৰী, কমাৰ, কুমাৰ, বাঢ়ৈ, শিপিনী আদিক সুকীয়া সুকীয়াকৈ পতাৰ ফলত সেই বিদ্যাবোৰ পুৰুষ পৰম্পৰা চলিছিল। স্থাপত্য-বিদ্যা যেনে, মঠ-মন্দিৰ, দলং আদি নিৰ্মাণ কাৰ্য্যৰ এগৰাকী অধ্যক্ষ আছিল আৰু তেওঁক চাংৰুং ফুকন বোলা হৈছিল। এই বিদ্যাটোও পুৰুষাণুক্ৰমে চলিছিল। চিকিৎসা-শাস্ত্ৰ বা আয়ুৰ্বেদ শিক্ষাৰ চৰ্চাও হৈছিল। প্ৰাচীন কালত পালকাপ্য মুনিয়ে 'হস্ত্যায়ুৰ্বেদ' নামে হস্তীচিকিৎসাৰ গ্ৰন্থ এখনি কামৰূপত ৰচনা কৰে বুলি জনা যায়। এইদৰে পশুচিকিৎসাৰ গ্ৰন্থ পৰম্পৰা এই দেশত ৰক্ষিত হৈছিল। আহোম ৰজাৰ পৃষ্ঠপোষকতাত উত্তৰ বৈষ্ণৱ যুগত ৰচিত হস্তীবিদ্যাৰ্ণৱ, 'ঘোঁৰা নিদান' আদিয়েই কথাৰ প্ৰমাণ কৰে। আয়ুৰ্বেদ চিকিৎসাও এই দেশত পূৰ্বৰে পৰা চলি আহিছে। উজনি অসমৰ বেজবৰুৱা আৰু নামনি অসমৰ কবিৰাজ আৰু ওজাসকলে সেই চিকিৎসা বিদ্যাৰ পৰম্পৰা ৰক্ষা কৰে বুলি ক'ব পাৰি।

আহোম ৰজাসকলে হিন্দুধৰ্ম গ্ৰহণ কৰাৰ পিছত সংস্কৃত ভাষাকো আদৰি লৈছিল। প্ৰকৃততে উত্তৰ বৈষ্ণৱ যুগতহে আহোম ৰজাৰ পৃষ্ঠপোষকতাত সংস্কৃত আৰু অসমীয়া ভাষা-সাহিত্যই প্ৰচাৰ-প্ৰসাৰ লাভ কৰিছিল। আহোম ভাষা শিক্ষা দিয়াৰ উদ্দেশ্যে আহোম পণ্ডিত নিয়োগ কৰা হৈছিল। বুৰঞ্জী লিখা বা চৰ্চা কৰাটো আহোম সকলৰ এটি পৱিত্ৰ কৰ্তব্য বুলি গণ্য কৰিছিল। সাধাৰণতে আহোম পণ্ডিতৰ পঢ়াশালিতেই বুৰঞ্জী শিক্ষাৰ ব্যৱস্থা কৰা হৈছিল। বুৰঞ্জী চৰ্চা আৰু সংৰক্ষণ কাৰ্য্যত চকু দিবলৈ চিৰিং ফুকন নামৰ এজন বিষয়া নিয়োগ কৰা হৈছিল। আদিকালৰ বুৰঞ্জী টাই ভাষা আৰু টাই লিপি আৰু পিছৰ কালৰ বুৰঞ্জী টাই ভাষা অসমীয়া লিপি, অসমীয়া ভাষা টাই লিপি নাইবা অসমীয়া ভাষা আৰু অসমীয়া লিপিত লিখিত হৈছিল।

দেশত স্ত্ৰীশিক্ষাৰ বিশেষ প্ৰচলন নাথাকিলেও দুই চাৰি গৰাকী তিৰোতাৰ ধৰ্মগ্ৰন্থ শুনা বা চৰ্চাৰ প্ৰতি যে আগ্ৰহ আছিল ওপৰত উনুকিওৱা হৈছে। যুৱৰাজ চিলাৰায়ৰ পত্নী কমলপ্ৰিয়া সুগায়িকা আছিল। তেওঁ শঙ্কৰদেৱ ৰচিত 'পামৰু মন ৰাম চৰণ চিত্ত দেহু' বৰগীতটো গাই চিলাৰায়ৰ মন শঙ্কৰদেৱৰ প্ৰতি আকৃষ্ট কৰাৰ উল্লেখ কেইবাখনো চৰিত-পুথিত পোৱা যায়। সেইদৰে কেইবাখনো বুৰঞ্জীত শিক্ষানুৰাগী আৰু বিদুষী আহোম ৰমণীসৰৰ উল্লেখ আছে। শিক্ষিত চাউচিং কুঁৱৰীৰ বিষয়ে আছে – "কুঁৱৰীও ৰূপে-গুণে বৰ পণ্ডিতা, ভৰিয়েৰেহে আহোম আখৰকো লিখিছিল" (অ, বু, পৃঃ ৩২)।

বৈষ্ণৱ যুগৰ শিক্ষা পদ্ধতিলৈ লক্ষ্য কৰিলে দেখা যায় যে প্ৰাক্ বৈষ্ণৱ যুগতকৈ এই যুগত শিক্ষাৰ যথেষ্ট প্ৰসাৰ হৈছিল। অৱশ্যে আজি কালিৰ দৰে প্ৰতি গাওঁ বা নগৰত শিক্ষাৰ উমৈহতীয়া অনুষ্ঠান নথকাত আৰু শিক্ষাক্ৰমৰো কোনো নতুনত্ব নথকাত শিক্ষাৰ-প্ৰসাৰৰ বাটটি সুগম হৈ উঠিব পৰা নাছিল। শিক্ষাৰ জৰিয়তে কেৱল জ্ঞান লাভ

আৰু তাৰ পৰা ভক্তি লাভ হয়- এনে ধাৰণাহে মানুহৰ আছিল; কিন্তু জীৱিকা অৰ্জনৰ অন্যতম আহিলাও যে শিক্ষা হ'ব পাৰে, এনে চিন্তা বোধকৰোঁ সেই সময়ৰ সকলো লোকে কৰিব পৰা নাছিল। "কথা গুৰু চৰিত"ৰ এঠাইত আছে "পঢ়িব লাগে জ্ঞানৰ কাৰণে, জ্ঞান লাগে ভক্তিৰ কাৰণে, ভক্তিবিহীন সবে ব্যৰ্থ" (ক, গু, পৃঃ ৩১১)। সৰ্বসাধাৰণলোকৰ কৃষিয়েই আছিল একমাত্ৰ জীৱিকাৰ পথ। সেই কাৰণে শিক্ষাৰ কাৰণে জনজাগৰণ হোৱা নাছিল। তথাপি দেশৰ বিভিন্ন বিষয়ক শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত যি পৰম্পৰা গঢ় লৈ উঠিছিল, তাৰ কাৰণে টোল বা ছাত্ৰশালৰ অধ্যাপকসকলৰ দান, ৰাজকীয় পৃষ্ঠপোষকতা আৰু বৈষ্ণৱ ধৰ্মপ্ৰচাৰকসকলৰ অকুণ্ঠ চেষ্টাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰিব লাগিব। ০০০

*প্ৰসঙ্গ গ্ৰন্থ ঃ*


১) ক, গু - কথা-গুৰুচৰিত, উপেন্দ্ৰচন্দ্ৰ লেখাৰু সম্পাদিত, ১৯৫২।

২) শ্ৰী, গু - শ্ৰীগুৰুচৰিত, ডঃ মহেশ্বৰ নেওগ সম্পাদিত, ১৯৫৭।

৩) আ, বু - আসাম বুৰঞ্জী, গুণাভিৰাম বৰুৱা, ১৯৭২।

৪) দ, ৰা - দৰঙ্গ ৰাজবংশাৱলী, নবীনচন্দ্ৰ শৰ্মা সম্পাদিত, ১৯৭৩।

৫) অঃ বুঃ - অসম বুৰঞ্জী (সুকুমাৰ মহন্তৰ ঘৰত পোৱা),

৬) ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত, ১৯৪৫।

৭) অসমীয়া জাতিৰ ইতিবৃত্ত, অসম সাহিত্য সভা, ১৯৭৪।

৮) আহোম জাতি আৰু অসমীয়া সংস্কৃতি, লীলা গগৈ, ১৯৬১।


*(অসম সাহিত্য সভা পত্ৰিকা দ্বাত্ৰিংশ বছৰ প্ৰথম সংখ্যা জুন ১৯৭৫ৰ পৰা সংগৃহিত আৰু পুনৰমুদ্ৰিত)*





# ইতিহাসৰ পাত মেলি-ৰাণীৰাজ্য

ৰমেশ চন্দ্ৰ কলিতা

বিশাল মহাবাহু ব্ৰহ্মপুত্ৰৰ সাৰুৱা সমভূমি আৰু ডাঠ অৰণ্যেৰে ভৰা দুৰ্গম পৰ্বতীয়া অঞ্চলক সামৰি সুকীয়া বৈশিষ্ট্য থকা ভাৰতৰ পূব প্ৰান্তৰ এই অসমখন। এসময়ত এই ৰাজ্যখন প্ৰাচীন কামৰূপ ৰাজ্য হিচাপে কৰতোৱা নদীৰ পৰা পৰশুৰামকুণ্ডলৈকে কামৰূপাধিপতিসকলৰ শাসনত ভাৰতৰ আগশাৰীৰ ৰাজ্য হিচাপে সুনাম অৰ্জন কৰাৰ কথা বিদেশী ভ্ৰমণকাৰী আৰু ৰাজ শাসনৱলীয়ে সগৌৰৱে ঘোষণা কৰিছে। এই ভূখণ্ডত সেই কালত কামৰূপাধিপতিসকলৰ সমান্তৰাল বা তলতীয়া হৈ কোনো ৰাজ্য আছিল যদিও সিবোৰৰ বিষয়ে বিশেষ জনা নাযায়। থাকিলেও কামৰূপাধিপতিসকলৰ প্ৰভাৱে আন সকলোকে নিষ্প্ৰভ কৰি থোৱাটো অস্বাভাৱিক নহয়। কিন্তু পাল বংশৰ পিছৰ পৰা কামৰূপাধিপতিৰ একানায়কত্ব খৰ্ব হৈ পৰে। প্ৰায় বাৰ শতিকাৰ আৰম্ভণিৰ লগে লগে কামৰূপাধিপতিৰ দুৰ্বলতাৰ হেতু লৈ ঠায়ে ঠায়ে নতুন ৰজাই মূৰ তুলি নতুন ৰাজ্য স্থাপন কৰিবলৈ আৰম্ভ কৰে। ফল স্বৰূপেই কমতা, কছাৰী, চুতীয়া, ভূঞা আদি ৰাজ্যৰ সৃষ্টি হয়। ইয়াৰ লগতে আন এক শ্ৰেণীৰ ৰাজ্যও আমাৰ চকুত হৈ পৰে। এই ৰাজ্যসমূহেই হ'ল দাঁতিয়লীয়া ৰাজ্য। দাঁতিয়লীয়া নামটো আহোম-যুগৰ নাম। ৰাজ্যবোৰ পৰ্বতৰ দাঁতিত অৱস্থিত আৰু আনহাতে পৰবৰ্তী কালত আহোম ৰাজ্যৰ সীমান্তত কৰতলীয়া ৰাজ্য হোৱা বাবেই সম্ভৱতঃ এই নামটো প্ৰযোজ্য হয়। বিবিধ বুৰঞ্জীত এনে ৰাজ্য ওঠৰখন থকা বুলি প্ৰাসঙ্গিকভাৱে উল্লেখ পোৱা যায়। এই সময়ত এই ৰাজ্যসমূহে অসমৰ ৰাজনৈতিক আৰু সাংস্কৃতিক দিশত বিশেষ ভূমিকা লোৱাৰ উদাহৰণ বুৰঞ্জীত আছে। এই ৰাজ্য সমূহৰ ভিতৰত ৰাণী ৰাজ্য অন্যতম।

ৰাণী ৰাজ্য কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে গুৱাহাটী নগৰৰ পূবৰ পৰা মীৰ্জা পৰ্যন্ত প্ৰায় ১৮/২০ মাইল ব্যাপি আছিল। এই ৰাজ্যখন স্বৰ্গদেউ গদাধৰসিংহৰ দিনত প্ৰতিষ্ঠিত বুলি সাধাৰণতে ধাৰণা কৰা হয়। এই ধাৰণাৰ ভেটি হ'ল; স্বৰ্গদেউ গদাধৰ সিংহ ৰাণীৰ ওচৰৰ এগৰাকী তিৰোতাৰ আশ্ৰয়ত আত্মগোপন কৰি থাকি লৰাৰজাৰ কবলৰ পৰা নিজক ৰক্ষা কৰিছিল। ৰজা হোৱাৰ পিছত তেওঁ সেই তিৰোতাজনীক ৰাজ্য দি ৰাণী পাতিছিল। ৰাজ্যখনৰ নামকৰণৰ লগত তিৰোতা সম্পৰ্কিত হোৱা বাবে গদাধৰ সিংহৰ দিনৰ সেই নাৰী গৰাকীয়ে ৰাজ্যৰ স্থাপন-

কৰ্ত্রী বুলি ভবাটো অস্বাভাৱিক নহয়। কিন্তু সেয়ে হ'লেও গদাধৰসিংহৰ দিনৰ বহুকাল আগৰ পৰাই এই ৰাজ্যৰ অস্তিত্ব আছিল। ৰাণীৰাজ্যৰ বংশধৰসকলে তেওঁলোকক আৰিমত্ত ৰজাৰ বংশধৰ বুলি দাবী কৰে। এই কথা উল্লেখ কৰি অসম বুৰঞ্জী (A History of Assam) প্রণেতা ছাৰ এডোৱাৰ্ড গেইটে উল্লেখ কৰিছে "The Rajas of Rani and Dumarua both claim to be descendant of him (Arimatta)' বংশাৱলীৰ প্রমাণিত পূৰ্ণ পাঠ নাপালেও এই দাবী অমূলক নহয়। কামৰূপৰ বুৰঞ্জীৰ পৰিশিষ্ট অংশত এটা উদ্ধৃতি আছে যে গদাধৰসিংহৰ দিনত তপে বংশৰ পৰা গৰলদেহী তালুক ফালি নি আৰিমত্ত ৰজাৰ জীয়েক ধনীৰাণীৰ বংশৰ গাৱো ৰজাৰ ৰাণী এজনীক দি ৰাণী ৰাজ্য পাতে। তপে হ'ল আজিকালিৰ চাৰ্কোল বা মহকুমাৰ নিচিনা অঞ্চল বিশেষ। মোগলে কামৰূপ লোৱাৰ পিছত ঠাইবোৰ পৰগণা, তপে আৰু তালুক আদিৰে বিভাজন কৰিছিল। কিছুমান গাঁৱৰ সমষ্টিয়েই তালুক। গৰলদেহী তালুকৰ অস্তিত্বৰ প্রতীক হিচাপে গৰল গাওঁখন আজিও বৰ্তমান। এই গাওঁখন প্রকৃততে এখন ঐতিহাসিক গাওঁ। এই গৰল অঞ্চলটো ৰাণীৰাজ্যৰ সৰু অঞ্চল বিশেষ মাথোন। এই অঞ্চলতহে পৰবৰ্তী কালত গদাধৰ সিংহই দেশৰাণী এগৰাকী স্থাপন কৰিছিল; সমগ্র ৰাণীৰাজ্যত নহয়। কেইবাটিও তালুকৰ সমষ্টিয়েই তপে। ৰাণী ৰাজ্য বহু কেইটি তপেৰ সমষ্টি। তাৰে 'বংশৰ' তপেৰ গৰল দেহী তালুকখনহে উক্ত ৰাণী গৰাকীক দিয়া হৈছিল। কিন্তু ৰাজ্যখনৰ নাম ৰাণী হোৱালৈ চাই, ই যে ৰাণীৰ লগত সম্পৰ্কিত সি উপলব্ধিৰ বিষয়। তেন্তে কোননো সেই গৰাকী ভাগ্যৱতী নাৰী ?

ৰাণী ৰাজ্যৰ বিষয়ে এতিয়াও খৰচিমাৰি আলোচনা হোৱা নাই। শ্ৰীখগেন্দ্রনাথ দাস ৰচিত 'অসমৰ থলুৱা বুৰঞ্জী' নামৰ সৰু পুস্তিকা এখনত জনশ্রুতি আৰু কিম্বদন্তীৰ পৰা এই ৰাজ্যৰ বিষয়ে উল্লেখ কৰি কৈছে যে ৰাজ্যখনৰ প্রথম প্রতিষ্ঠাতা আৰিমত্তৰ জীয়েক। সেইমতে আৰিমত্তৰ তিনি গৰাকী কন্যাৰ প্রথম গৰাকী ধৰ্মকান্তীক ৰাণীৰাজ্যৰ গৰাকী পাতে। এই ধৰ্মকান্তীয়েই সাধাৰণ মানুহৰ মুখত সহজ প্রকাশ হিচাপে ওপৰত উল্লেখ কৰা কামৰূপৰ বুৰঞ্জীৰ 'ধনীৰাণী' হোৱাটো অসম্ভৱ নহয়। উল্লেখযোগ্য যে আৰিমত্তৰ জন্ম আৰু প্রথম ৰাজধানী শুৱালকুছি বুলি জনশ্রুতি আৰু প্রমাণে দেখুৱায়। এই সম্পৰ্কে শুৱালকুছিৰ জ্যোতি সাহিত্য সভাৰ পত্রিকাৰ 'ৰাজনগৰ শুৱালকুছি' নামৰ প্রবন্ধত আলোচনা কৰা হৈছে। আৰিমত্তই শুৱালকুছিৰ পৰা ৰঙিয়াৰ ওচৰৰ বৈদ্যৰগড়লৈ ৰাজধানী তুলি নিয়াৰ সময়ত সেই অঞ্চলৰ দায়িত্ব জীয়েকৰ হাতত সমৰ্পণ কৰি যোৱাতো সম্ভৱপৰ। কাৰণ বৈদ্যৰগড় ব্ৰহ্মপুত্রৰ উত্তৰৰ দূৰণিৰ ঠাই; আৰু আনহাতে শুৱালকুছি ব্ৰহ্মপুত্ৰৰ দক্ষিণ কূলত অৱস্থিত ৰাণীৰ সমীপৱৰ্তী ঠাই। উল্লেখযোগ্য যে নৰনাৰায়ণ ৰজাইহে "হাজোৰ সোঁতকে খাৰু ভাঁজ দেখি যাঠি, তৰোৱাল, চেপচিঙ্গ আনো অস্ত্রাদি হাতীমূৰাৰ পোনে খানি দিলে।"২ এই খান্দি দিয়া সোঁত মাৰ গৈ খান্দি দিয়া



সৌমাৰজ্যোতি ২০০৬-০৭

সোঁতাই প্রধান হ'ল; আৰু শুৱালকুছি তেতিয়াৰ পৰা উত্তৰপাৰৰ গাওঁ হৈ পৰিল। দক্ষিণকূলৰ গাওঁ হৈ থকা কালত শুৱালকুছি আৰু ৰাণী এটি অঞ্চলৰ অন্তৰ্ভুক্ত আছিল। শুৱালকুছি ৰাজধানী হিচাপে ব্ৰহ্মপুত্ৰৰ পাৰত আৰু ৰাণী পৰ্বতৰ দাঁতিত আছিল। আৰিমত্তই বৈদ্যৰগড়লৈ যোৱাৰ সময়ত এই অঞ্চলটো জীয়েকৰ হাতত গটাই যোৱাতো সম্ভৱ এই কাৰণেই যে উত্তৰপাৰৰ বিশাল ৰাজ্যত চকু দিও যাতে দক্ষিণপাৰৰ সৰু অঞ্চলটিলৈ লক্ষ্য ৰাখিবলগীয়া নহয়। এই ফালৰ পৰা জনশ্রুতি উলাই কৰিব নোৱাৰি। এই ক্ষেত্রত আৰু উল্লেখ কৰিবলগীয়া যে শুৱালকুছিৰ বৰ্তমানে ৰাজগড়টিৰ ওচৰতে থকা ঠাইখনৰ নাম ভঙা নগৰ। ৰাজধানী উঠাই (ভাঙি) নিয়াৰ পাছত লোকে ইয়াক ভঙা নগৰ বোলা যেন অনুমান হয়। বৰ্তমান এই ঠাইখনৰ নাম সলনি কৰি 'কাঞ্চন নগৰ' বোলা হৈছে। কিন্তু এনে কামক কেতিয়াও সুকাৰ্য বুলিব নোৱাৰি। কাৰণ পুৰণি নাম লুপ্ত কৰাতো ঐতিহাসিক দৃষ্টিৰ পৰা এটা অমাৰ্জনীয় অপৰাধ। শুৱালকুছিৰ পৰিৱৰ্তে পৰ্বতৰ দাঁতি ৰাণী বা ইয়াৰ ওচৰৰ পাটগাওঁলৈ ৰাজধানী তুলি নিয়ালৈ চাই ৰজা জীয়েকক সেই ঠাইতেই বিয়া দিয়া বুলি ভাবিবৰ থল আছে। ডিমৰুৱা ৰাজ্য সম্পৰ্কে জনশ্রুতিত শুনা যায় যে মৃগয়াপ্রিয় আৰিমত্ত ৰজাই সেই ঠাইত বাহৰ কৰি এগৰাকী ৰাণী ৰাখিছিল। পাছলৈ সেই ৰাণীৰ বংশধৰকেই ডিমৰুৱা ৰাজ্যত প্রতিষ্ঠিত কৰি ৰজা বৈদ্যৰগড়লৈ যোৱা বুলি শুনা যায়। ৰাণীৰ ক্ষেত্রতো একে কথা প্রযোজ্য হ'ব পাৰে আৰিমত্তৰ সময় পালবংশৰ পাছত। গতিকে বাৰ শতিকাৰ আৰম্ভণিয়েই ৰাণীৰ ৰাজ্যৰ প্রতিষ্ঠাৰ সময় বুলি উক্ত আলোচনাৰ পৰা ধৰিব পাৰি। তেতিয়াৰ পৰা বীৰ চিলাৰায়ৰ দিনলৈকে এই ৰাজ্যখন কাৰো তলতীয়া হোৱাৰ উমান পোৱা নাযায়। চিলাৰায়ৰ প্রভাৱত সকলো দাঁতিয়লীয়া ৰজাৰ উপৰিও বৰ অসমৰ সকলো ৰজাই এই গাঁথনিত বান্ধ খোৱাৰ সুবিধা এটা হৈছিল। কিন্তু সি স্থায়ী হ'বলৈ নাপালে। চিলাৰায়ৰ মৃত্যুৰ পাছতে কোঁচৰাজ্যৰ ভাঙোনে দেখা দিলে। ফলত আন ৰাজ্যৰ লগতে ৰাণী ৰাজ্যই সাৰ্বভৌমত্ব ঘূৰাই পালে।

তেৰ শতিকাৰ আদি ভাগত আহোমসকল পূব ফালৰ পৰা অসমত প্রৱেশ কৰে। সময়ৰ লগে লগে তেওঁলোকে উজনি অসমৰ পূৰ্ণ-প্রভাৱ বিস্তাৰ কৰি স্বৰ্গদেউ প্রতাপসিংহৰ দিনত নামনিৰ পৰাক্ৰমী ৰাজ্য কোঁচ-কামৰূপতো ভৰি দিলে আৰু এই সময়তেই আন আন দাঁতিয়লীয়া ৰাজ্যৰ লগতে ৰাণী ৰাজ্যও আহোমৰ কৰতলীয়া ৰাজ্য হ'বলৈ বাধ্য হৈ পৰিল। ইয়াৰ কাৰণ হ'ল সেই সময়ত (সোতৰ শতিকাৰ দ্বিতীয় দশক) মোগলে পৰীক্ষিত নাৰায়ণৰ কামৰূপ ৰাজ্য আক্ৰমণ কৰিছিল। ফলত কামৰূপী প্রজাৰ লগত মোগলৰ যি ৰণ হৈছিল তাত ৰাণী ৰাজ্যৰ ৰজা-প্রজায়ো সাহস আৰু বীৰত্বৰে মোগলৰ বিৰুদ্ধে যুঁজিছিল। এই ৰণত মোগলৰ জয় হৈছিল আৰু ৰজা পৰীক্ষিত নাৰায়ণে মোগলৰ হাতত পৰাতকৈ মৃত্যুই শ্রেয় বুলি আত্মহত্যা কৰিছিল। পৰীক্ষিত নাৰায়ণৰ খুৰাক বেহেৰুৱা ৰজা লক্ষ্মীনাৰায়ণে মোগলৰ ফলীয়া হৈ

দেশখন মোগলক দিছিল যদিও আমাৰ দেশৰ লোকে তেওঁলোকক সুখেৰে ভোগ কৰিব দিয় নাছিল। এই ক্ষেত্ৰত ৰাণী ৰাজ্য আছিল মোগলক ওফোৰাবলৈ যুদ্ধত প্ৰবৃত্ত হোৱা মুক্তি বাহিনীৰ কেন্দ্ৰ। ইফালে দক্ষিণ-কূলৰ মোগলৰ সদৰ ঠাই আছিল পাণ্ডু। তেতিয়াৰ দিনতো এইখণ্ড ৰাণীৰাজ্যৰ প্ৰধান নগৰ আছিল। মোগল অধিকৃত পাণ্ডু পৰগনাৰ তলত আছিল - ৰঙ্গেশ্বৰ, মঝিয়লি, চয়নীয়া, বেলতলা, ভৰুৱা কটা আদি। ইয়াৰ প্ৰধান শাসনকৰ্তাজনৰ নাম আছিল আবদুল ৰাজাক। গতিকে ৰাজাকে ৰাণীকেই প্ৰধান শত্ৰু হিচাপে লৈ বাৰে বাৰে বিভিন্ন পথেৰে আক্ৰমণ কৰিছিল; কিন্তু সফল হ'ব পৰা নাছিল। ইয়াৰ পাছত মিৰ্জা নাথনে দক্ষিণ কূলৰ দায়িত্ব লয় আৰু জীৱন পণ কৰি তুমুল সংগ্ৰামত নামি পৰে। তেওঁ জালুকবাৰীৰ পশ্চিমৰ গৰল গাওঁখনতে গড়মাৰি ৰাণী আক্ৰমণ কৰিবলৈ প্ৰস্তুত হয়। মিৰ্জাৰ অভিপ্ৰায় বুজি দাতিয়লীয়া ৰজাসকলেও এক গোট হৈ তিনিটা পথেৰে পাণ্ডু আক্ৰমণ কৰে। বাধ্য হৈ নাথনে পাণ্ডু ৰক্ষাৰ বাবে ফিৰি আহে। এই যুদ্ধ ভালে দিনো চলে। মিৰ্জাই ভালদৰে বুজিছিল যে ৰাণী জয় কৰিব নোৱাৰিলে মোগল শাসন শান্তিৰে নচলে। গতিকে ৰাণীৰ জয়তে গুৰুত্ব দি তেওঁ বাৰে বাৰে অভিযান কৰিছিল, কিন্তু কৃতকাৰ্য হ'ব পৰা নাছিল। সেয়ে মিৰ্জাই স্থল-যুদ্ধৰ চিন্তা পৰিত্যাগ কৰিলে আৰু গোপনে নৌযুদ্ধৰ চিন্তা কৰিলে। জালুকবাৰীৰ পশ্চিম অঞ্চলটো ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ পৰা অলপ দক্ষিণেই বিশাল দিপৰ বিলৰ সৈতে এটি জলাহ অঞ্চল। ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা কেইশ গজমান খান্দিলেই নৈৰ পৰা পানীৰে ৰাণী পৰ্যন্ত যাব পাৰি। গতিকে মিৰ্জাই সকলোবোৰ নৌ সেনা লগাই সাত দিনৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ পৰা জান খানি ৰাণীলৈ জলপথ এটিৰ সৃষ্টি কৰিলে। জালুকবাৰীৰ পশ্চিমে থকা 'খানাজান'ৰ সৃষ্টি এইভাৱেই হয়। মোগলৰ নৌ সেনা এই পথেৰে সোমাই অতৰ্কিতভাৱে ৰাণী আক্ৰমণ কৰিলে। ৰাণীৰ ৰজা-প্ৰজাই এনে কাণ্ড ঘটিব বুলি ভবা নাছিল। ফলত ৰাণীৰ পাঁচোটা পৰ্বতীয়া দুৰ্গৰ পতন ঘটিল। ৰাণীৰ প্ৰতিৰক্ষাৰ দায়িত্বত থকা সকলে পলাই গোপন ঠাইত আশ্ৰয় ললে। এই আক্ৰমণত শত্ৰু পক্ষই ৰাণীৰাজ্যৰ পোন্ধৰখন গাওঁ লুট কৰিছিল আৰু পাঁচশ লোকক ধৰি নিছিল বুলি আক্ৰমণকাৰীৰ নিজা বিবৰণীত প্ৰকাশ।[৩] কিন্তু ৰাণীৰ ৰজা-প্ৰজাৰ মনোবল তেতিয়াও অটুত আছিল। সেই সময়ত পৰীক্ষিত নাৰায়ণৰ ভায়েক বলিনাৰায়ণে দৰঙৰ শহুৰাবাৰীত আহোম ৰজাৰ আশ্ৰয়ত ৰজা হৈ দাঁতিয়লীয়া ৰজাসকলৰে সৈতে ৰাণীত মোগলৰ বিৰুদ্ধে মিলিত হৈছিল। বলি নাৰায়ণক ভেটো দিবলৈ মোগলসকলে হালিগাওঁত দুৰ্গ এটা সাজিছিল। এই হালিগাওঁ ৰাণীৰাজ্যৰ ভিতৰৰ উল্লেখিত গড়ল গাওঁৰ পৰা ছয় মাইল দক্ষিণ-পশ্চিমে। আহোম ৰজায়ো ৰাণী ৰাজ্যৰ পৰা মোগলক খেদিবলৈ বহু সৈন্য দি দাঁতিয়লীয়া ৰজাক সহায় কৰিছিল। লগতে দুই শ হেংদান ধৰাকো পঠিয়াই এই নিৰ্দেশ দিছিল যে যিয়ে যুদ্ধত গাফিলতি কৰিব তাকে যাতে দুটুকুৰাকৈ কটা হয়। ফলত মোগলে পুনৰ পৃষ্ঠভঙ্গ দি আশ্ৰয়ৰ স্থল গুৱালকুছিত অৱস্থান কৰে।





সেই সময়ত গুৱালকুছি আছিল মোগলৰ নিৰাপদস্থান। কাৰণ এই ঠাইখন তেতিয়া ব্ৰহ্মপুত্ৰৰ মাজৰ মাজুলীত অৱস্থিত আছিল। এই ৰণ বহুদিন ধৰি চলিছিল আৰু শেষত আহোম-শক্তি প্ৰকাশ্যে যুদ্ধত অৱতীৰ্ণ হ'বলৈ বাধ্য হৈছিল আৰু শেষান্তৰত ই আহোম-মোগলৰ ৰণত পৰিণত হৈছিল। এই ৰণৰ পৰিণতিতেই বিখ্যাত "মোমাইতামুলী আৰু আহ লায়াৰৰ খাঁৰ সন্ধিৰ" সৃষ্টি হয়; তাৰ ফলত অসুৰৰ আলি আৰু বৰনদী সীমা কৰি আহোম ৰাজ্যৰ অন্তৰ্ভুক্ত হয়। আহোম শক্তি কামৰূপত খোপনি পোতাৰ লগে লগে দাঁতিয়লীয়া ৰাজ্যসমূহো আহোমৰ কৰতলীয়া হৈ পৰে। "দখিণ কূলীয়া, ডিমৰুৱা আদি কৰি যতেক ৰাজা আছে সকল আসি ল'ৰা তিৰোতা সহিতে সেৱা কৰেহি লোকৰ কাপৰ কপাহ লৈ।শক ১৫৩৮।"[৪]

আহোম ৰাজ্যৰ কৰতলীয়া ৰাজ্য হোৱাৰ পিছত আহোম শক্তিয়ে ৰাণীৰাজ্য শত্ৰুৰ অভেদ্য হিচাপে গঢ়ি তোলাত মনোনিৱেশ কৰে। কাৰণ গুৱাহাটী পৰৱৰ্তী কালত আহোম শাসনৰ (নামনিৰ)কেন্দ্ৰ স্থান হৈ পৰে। এই নগৰখন ৰাণীৰাজ্যৰ ভিতৰত যদিও আহোমৰ সময়ত বৰফুকনেহে ইয়াক নিয়ন্ত্ৰণ কৰিছিল। ৰাণীৰাজ্যৰ সীমা সম্পৰ্কে উল্লেখ পোৱা যায় যে ইয়াৰ পূব সীমা হৈছে অসুৰৰ আলি আৰু নৰকাসুৰ পৰ্বতমালা। গতিকে বৰ্তমানৰ সমুদায় গুৱাহাটী ৰাণীৰাজ্যৰ ভিতৰতে আছিল। আগৰ কালত ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে থকা গুৱাহাটীৰ দহখন প্ৰবেশ দ্বাৰৰ ভিতৰত দক্ষিণৰ পাঁচখন দুৱাৰেই ৰাণীৰাজ্যত। এই দুৱাৰ কেইখন প্ৰাচীন দুৱাৰ। এই কেইখন হ'ল - লতাশিল, জয়দুৱাৰ, ধৰম দুৱাৰ, দুৱাৰ গৰিলা আৰু পাণ্ডু। ইয়াৰে পাণ্ডু আৰু লতাশিল পানীচকী, বাকী কেইখনত বামচকী হিচাপে ৰক্ষিত হৈছিল। অৰ্থাৎ প্ৰথম দুখনত নৌসেনা আছিল আৰু বাকীকেইখনত স্থলবাহিনী আছিল। বাৰে বাৰে হোৱা মুছলমান আক্ৰমণ ওফোৰাবলৈ আহোমৰ দিনত এই অঞ্চলত বহু কেইটি গড় নিৰ্মিত হয়। এই গড় তদাৰক কৰিবলৈ বৰফুকনৰ লগতে ৰাণীৰ ৰজাৰো দায়িত্ব আছিল। দেখা যায় যে প্ৰতাপসিংহ স্বৰ্গদেউৰ দিনৰ পৰা ৰাণী ৰাজ্যই সঙ্কটৰ সময়ত অসমক ৰক্ষাৰ বাবে আগভাগ লৈ আহিছে। অৱশ্যে জয়ধ্বজ সিংহ আৰু ৰুদ্ৰ সিংহ স্বৰ্গদেৱৰ দিনত ইয়াৰ বাতিক্ৰম দেখা যায়। জয়ধ্বজ সিংহৰ দিনত হোৱা মিৰ্জুমলাৰ অসম আক্ৰমণত ৰাণীৰ ৰজা মকৰধ্বজে[৬] আক্ৰমণকাৰীৰ বিৰুদ্ধে যুদ্ধ কৰা নাছিল। উল্লেখযোগ্য যে মিৰ্জুমলাৰ আক্ৰমণত নামনি অসমৰ শাসনকৰ্তা বৰফুকনেই আক্ৰমণকাৰীক প্ৰতিৰোধ নকৰি মিত্ৰভাৱে বাট দেখুৱাই উজনিলৈ পঠিয়াই দিছিল। নামনিৰ সৰ্বময় শাসনকৰ্তাই যি বাট লয়, তেওঁৰ নিয়ন্ত্ৰণত থকা সকলেও সেই বাট লোৱাতো অস্বাভাৱিক নহয়। কিন্তু ৰামসিংহৰ অসম আক্ৰমণত ৰাণীৰ ৰজাই বীৰত্বপূৰ্ণ কাম সম্পাদন কৰে। সেই সময়ত ৰাণীৰ ৰজা পাণ্ডুৰ ওচৰৰ ৰাঙলী বুৰুজ গড়ৰ দায়িত্বত আছিল। ৰামসিংহই চোৰবচা সৈন্যৰে গোপনে সেই গড়ৰ অংশ বিশেষ ভাঙি গুৱাহাটীত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু সুচতুৰ ৰাণী ৰজাই ততালিকে

সেই গড় মেৰামতি কৰি শত্ৰুক ভেটা দিয়াত কৃতকাৰ্য হয়। উল্লেখ পোৱা যায় যে এই ৰণত ৰাণীৰ ৰজাই বহু মোগল সৈন্যৰ আঙুলি কাটি গড়গাওঁলৈ পঠিয়াই দিছিল। ইয়াৰ বাবে স্বৰ্গদেৱে ৰাণীৰ ৰজাক যোগ্য বঁটাও প্ৰদান কৰিছিল।[৭] জয়ন্তীয়া বুৰঞ্জীমতে ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ বিৰুদ্ধে ৰাণীৰ ৰজাই গোপনে বিদ্ৰোহত লিপ্ত হৈছিল। উল্লেখ মতে তেতিয়াৰ ৰজাজনৰ নাম আছিল খোৰা। তেওঁ ভিতৰি বঙালৰ লগত যোগাযোগ কৰি গুৱাহাটীলৈ দিয়াক সহায় কৰিম বুলি কথা দিছিল। কিন্তু কৃতকাৰ্য হ'ব নোৱাৰিলে। "স্বৰ্গদেৱে বোলে ৰাণীৰ পুতেকৰো উখা মখা শুনিছোঁ। ফুকন এটা পঠাই ধৰক।"[৮] পিছে ধৰিবলৈ মানুহ পঠোৱা গম পাই ৰাণী ৰজা পলাই গৈছিল যদিও পলাশবাৰীৰ টুকুৰীয়া আৰু দোলাকাষৰীয়া চন্দাই তেওঁক গড়গাৱঁলৈ ধৰি নিবলৈ সক্ষম হয়। কিন্তু প্ৰথমে স্বৰ্গদেৱে তেওঁক শাস্তি নিদি পুতেকক বৰফুকনৰ তাত সোথা হৈ পুনৰ ৰাজ্য চলাবলৈকে দিছিল। সোথাৰ অৰ্থ আছিল, পুতেকক মাৰাৰ ভয়ত যাতে স্বৰ্গদেৱৰ বিৰুদ্ধে পুনৰ ষড়যন্ত্ৰত লিপ্ত নহয়। কিন্তু পুতেকক সোথা নথলে। ফলত পানীফুকন আৰু ৰাজখোৱাক পঠিয়াই খোৰাৰজাক হত্যা কৰা হয়। ইয়াৰ পাছৰ পৰাই ৰাণী ৰাজ্যৰ বল টুটে। প্ৰমত্ত সিংহৰ দিনত ৰজাক দেখা কৰিবলৈ যোৱা ৰাণী ৰাজ্যৰ কটকীয়ে তেওঁলোকৰ বল টুটা বুলি সাহায্য বিচাৰিছিল। লক্ষ্মীসিংহ স্বৰ্গদেৱৰ দিনত মোৱামৰীয়া বিদ্ৰোহত ৰাণী আৰু লুকীৰ সৈন্যই মোৱামৰীয়াৰ বিৰুদ্ধে পৰাক্ৰমেৰে যুঁজি প্ৰশংসা লাভ কৰিছিল। তাতো বৰফুকনে মন্তব্য কৰিছিল, "এই ৰাণী প্ৰধান যোদ্ধা। পূৰ্বে বঙালকো মাৰিছে"।[৯]

অসমৰ পৰা মানক খেদাতো ৰাণী ৰাজ্যৰ বিশেষ অৰিহণা আছে। ইংৰাজে ৰাজ্য লোৱালৈকে ৰাণী ৰাজ্য স্বাধীন আছিল. তেতিয়াৰ ৰজাজনৰ নাম বুলিকন সিংহ। মানক খেদি পঠোৱাৰ পাছত দেশখন নকৈ গঢ়াৰ অজুহাতত ৰাণী ৰাজ্যৰ পৰা বছৰি চাৰি হাজাৰ টকাকৈ ইংৰাজে কৰ ধাৰ্য কৰিছিল।[১০] এই পুৰণি ৰাজ্যখনৰ ৰাজধানী আছিল পাটগাওঁ। এই ঠাইখন আজাৰাৰ দক্ষিণে অৱস্থিত। অতীতৰ সকলো গৌৰৱ নিজৰ গৰ্ভতে ঠাই দি আজি হয়তো মৌনভাৱে বাগৰি যোৱা দিনবোৰৰ কথাই সুঁৱৰি আছে।

ৰাজনৈতিক দিশৰ বাহিৰেও সাংস্কৃতিক দিশতো ৰাণী ৰাজ্য পিছ পৰি থকা দেখা নাযায়। আহোম স্বৰ্গদেউসকলেই সাংস্কৃতিক দিশতো ৰাণী ৰাজ্যলৈ মৰ্যদা আগবঢ়াই গৈছে। পাল্লী গাওঁৰ ঁচান্দ ৰায় গায়নক তেওঁৰ সঙ্গীত বিদ্যাৰ হেতু শিৱ সিংহ ৰজাই হুদুমপুৰ আৰু কুকুৰীয়াৰ বহু মাটি দান কৰি 'পাৰলি ঝাৰ' তাম্ৰপত্ৰ অৰ্পণ কৰিছিল। সেই একেদৰেই গৌৰী সিংহ স্বৰ্গদেৱৰ নিৰ্দেশমতে ৰাণী ৰজাই আজাৰাৰ মনাচাই নামৰ ওজা এজনক আহোম ৰাজসভালৈ গায়ক হিচাপে পঠোৱা কথাও জনা যায়। এওঁৰ ওজাপালিৰ পদত ৰজা পৰম সন্তোষ হৈ ৰাণী ৰজাক মাটি দান কৰিবলৈ নিৰ্দেশো দিছিল। ৰাজ্যখনত থকা





'নাপিনী গাঁত' ঐতিহাসিক আৰু প্ৰত্নতাত্বিক দৃষ্টিৰে এখন উল্লেখযোগ্য স্থান। এই গাঁতটি ৰাণীৰ ৰজাই দোষীক শাস্তি দি বধ কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল বুলি শুনা যায়। জনশ্ৰুতি মতে এই গাঁতটিৰে হেনো উশীনৰ ৰজাৰ কন্যা হেমাৰতীয়ে ভীম-অৰ্জুনক হৰণ কৰি নি অশ্বকৰ্ণক বধ কৰায়। ৰাণী ৰাজ্যত থকা কপিলী কুণ্ডটিও এসময়ত কপিল মুনিৰ আশ্ৰমৰেই কুণ্ড বুলি লোক বিশ্বাস এটি আছে। শিলৰ গাই-দামুৰীয়ে সৈতে এই নিৰ্জন ঠাইখিনি প্ৰকৃততে সংৰক্ষণ কৰিবলগীয়া। স্থানীয় লোকে এই ক্ষেত্ৰত মন দিয়া কৰ্তব্য বুলি ভাবো। বিচাৰি চালে এনে ধৰণৰ বহু কথাই হয়তো এই পুৰণি ৰাজ্যখনত ওলাই পৰিব। অসমৰ ৰাজনৈতিক আৰু সাংস্কৃতিক বুৰঞ্জীত পূৰ্ণতাৰ বাবে পুৰণি ইতিহাস-প্ৰসিদ্ধ ঠাইবোৰ নকৈ চোৱাৰ আৱশ্যক হৈ পৰিছে। এই একে কূলৱৰ্তী লুকি, ছয়গাওঁ, বৰদুৱাৰ, ন-দুৱাৰ, হেঙ্গাৰাবাৰী, বেলতলা, ডিমৰুৱা আদি দাঁতিয়াল ৰাজ্যবোৰো ঐতিহাসিক দৃষ্টিৰে গুৰুত্বপূৰ্ণ। ০০০

*প্ৰসঙ্গ গ্ৰন্থ ঃ*

(১) **A History of Assam, page 19.**
(২) ডক্টৰ সূৰ্য কুমাৰ ভূঞা সম্পাদিত 'অসম বুৰঞ্জী', পৃষ্ঠা ৩৪
(৩) **Baharistan-I Ghayabi, Vol. II**
(৪) বাঁহগড়ীয়া বুঢ়াগোঁহাই'ৰ বুৰঞ্জী (দেওধাই অসম বুৰঞ্জী), পৃঃ ১১৫
(৫) **A Geographical Sketch of Assam edited by Benudhar Sarma.**
(৬) **A History of Assam, foot note I page 134**
(৭) লাচিত বৰফুকন, পৃঃ ৫২
(৮) জয়ন্তীয়া বুৰঞ্জী পৃঃ ১০৮-৯
(৯) তুংখুঙ্গীয়া বুৰঞ্জী, পৃঃ ৬৩
(১০) **David Scott in North East India.**

*(অসম সাহিত্য সভা পত্ৰিকা উনবিংশ বছৰ তৃতীয় সংখ্যাৰ পৰা সংগ্ৰহিত আৰু পুনৰমুদ্ৰিত)*

# হস্তি বিদ্যাৰ্ণৱ

**সৰোজিনী দেৱী গোঁহাই**
উপাধ্যক্ষা, দুলীয়াজান মহাবিদ্যালয়

আহোম স্বৰ্গদেউ শিৱসিংহৰ ৰাজত্ব কালত ৰাণী অম্বিকা দেৱীৰ পৃষ্ঠপোষকতাত পূৰ্ণাঙ্গ ৰূপ পোৱা সাঁচিপতীয়া পুথি হস্তি বিদ্যাৰ্ণৱ মধ্যযুগৰ এক ঐতিহাসিক আৰু সামাজিক দলিল আৰু আহোম যুগৰ সংস্কৃতিৰ এক অমূল্য সম্পদ হিচাপে চিহ্নিত হৈছে। ১৯৯২ চনত পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে লোকেশ্বৰ বুঢ়াগোঁহাইৰ (পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ বংশধৰ) পৰা পুথিখন সংগ্ৰহ কৰে আৰু পৰবৰ্ত্তী পৰ্য্যায়ত অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সংৰক্ষিত কৰা হয়। ১৯৭৬ চনত অসম প্ৰকাশন পৰিষদে এই পুথিখনৰ ছপা ৰূপ দিয়ে।

হস্তি বিদ্যাৰ্ণৱ আহোম যুগৰ চিত্ৰ শিল্পৰ উৎকৰ্ষতাৰ এক আপুৰুগীয়া সম্পদ। এই পুথিৰ স্ৰষ্টা সুকুমাৰ বৰকাইথ। কেৱল চিত্ৰ শিল্পৰ বিকাশেই নহয়, সেই সময়ত চিকিৎসা শাস্ত্ৰৰ বিভিন্ন দিশসমূহৰ লগতে পশু চিকিৎসা বিদ্যাৰো যে বিকাশ ঘটিছিল তাৰ সাক্ষ্য বহন কৰিছে। "হস্তি বিদ্যাৰ্ণৱৰ" মূল অৰ্থ হস্তি সম্বন্ধীয় বিষয়ৰ বিদ্যাৰ সাগৰ; পুথিখনৰ পৰা হাতীৰ বিষয়ে আহোমসকলে যে বিস্তৃত চিন্তা-চৰ্চ্চা কৰিছিল তাৰ প্ৰমাণ পোৱা যায়। পুথিখনৰ ৰচনা কাল ১৭৩৪ খৃঃ। ইয়াত ব্যৱহৃত হৈছে ১৮শ শতিকাৰ প্ৰথমাৰ্দ্ধৰ অসমীয়া ভাষা। গদ্যশৈলীত লিখিত গ্ৰন্থখনত মাজে মাজে প্ৰাচীন কামৰূপী, টাই-আহোম আনকি ফাৰ্চী শব্দৰো পয়োভৰ দেখা যায়। পুথিখন উদ্ধাৰ কৰা সময়ত পাণ্ডুলিপিত ১৯৩ খিলা পাতৰ উল্লেখ আছিল যদিও বৰ্তমান ১৩৫ খিলা পাতহে পোৱা গৈছে। প্ৰতিখিলা পাতৰ আয়তন ৫৮ x ১৬ চেঃমিঃ। পুথিখনত অসমৰ বিভিন্ন শ্ৰেণীৰ হাতীৰ বৰ্ণনা, বিভিন্ন বেমাৰ, প্ৰতিকাৰ আৰু তাৰ প্ৰতিষেধক ব্যৱস্থাৰ বিশদ বৰ্ণনা দিয়া হৈছে। লিখকে কেৱল শিৱসিংহৰ ৰাজত্বকালতে আবদ্ধ নাথাকি পূৰ্ব্বপুৰুষ চুহুংমুঙকে আদি কৰি বিভিন্ন ৰজাসকলৰ হস্তিবাহিনীৰ বিষয়েও উল্লেখ কৰিছে। বুৰঞ্জীৰ তথ্যই প্ৰমাণ দিয়ে যে প্ৰাক্ আহোম যুগৰ ৰজাসকলৰ ৰাজত্ব কালত হাতীয়ে সামৰিক বাহিনীত এক সুকীয়া স্থান লাভ কৰিছিল। কামৰূপ ৰজা ভগদত্তৰ মহাভাৰত যুদ্ধত হস্তিবাহিনীৰ সৈতে কৰা অংশগ্ৰহণে কামৰূপৰ ৰজাৰ শৌৰ্য্য বীৰ্য্যৰে প্ৰমাণ দিয়ে। ত্ৰয়োদশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ পৰা ১৯শ শতিকাৰ প্ৰথমাৰ্দ্ধলৈ হাতী দেশৰ







সামৰিক বাহিনীৰ এক গুৰুত্বপূৰ্ণ অংশ আছিল। ৰাজধানী আৰু অন্যান্য সামৰিক ঘাটিসমূহত হস্তিবাহিনীৰ বাবে পৃথক শাসক গোটৰ অৱস্থিতি দেখা যায়।আহোম স্বৰ্গদেউ এহেজাৰ হাতীৰ গৰাকী হৈ গজপুৰ নামে এখন নগৰ স্থাপন কৰাৰো উল্লেখ আছে। এইবিলাক দিশলৈ লক্ষ্য কৰিলে হস্তি বিদ্যাৰ্ণৱৰ পূৰ্ব্বেও অসমত এনে ধৰণৰ পুথিৰ অস্তিত্ব নুই কৰিব নোৱাৰি।

হস্তি বিদ্যাৰ্ণৱৰ চিত্ৰসমূহ দিলবৰ আৰু দোচাই নামৰ দুজন মুছলিম সম্প্ৰদায়ৰ শিল্পীয়ে অঙ্কন কৰিছিল। চিত্ৰাঙ্কণ বিদ্যাত তেওঁলোকৰ পাৰদৰ্শিতা সন্দেহাতীত। থলুৱা উদ্ভিদ, কেহেৰাজ, শিলিখা, আমলখি, হেঙুল, গো-মূত আদিৰ দ্বাৰা তৈয়াৰী ৰঙেৰে এই চিত্ৰসমূহ অঙ্কন কৰা। চিত্ৰসমূহত বাস্তৱবাদ আৰু আদৰ্শবাদৰ সমন্বয় ঘটা বুলি ক'ব পাৰি। অসমত চিত্ৰকলাই কেনেদৰে পৰিপূৰ্ণ বিকাশ লাভ কৰিছিল হস্তি বিদ্যাৰ্ণৱ তাৰ উৎকৃষ্ট নিদৰ্শন। সচিত্ৰ পুথিখনে বিভিন্ন হাতীৰ ছবিৰ ওপৰিও লিখক, শিল্পীদ্বয়, ৰজা শিৱসিংহ আৰু ৰাণী অম্বিকা, অন্যান্য বিষয়াবৰ্গ, ৰাজসভাৰ সঙ্গীতানুষ্ঠান আৰু প্ৰমোদ অনুষ্ঠানৰো চিত্ৰ অঙ্কন কৰা হৈছে।

পুথিখনৰ অৰ্ন্তভাগৰ বিভিন্ন শিতানত হাতীৰ বিস্তাৰিত বৰ্ণনা, প্ৰশিক্ষণ পদ্ধতি, মাউত-হাতীৰ গৰাকীৰ বৰ্ণনা আনকি হাতীশালৰো উল্লেখ পোৱা যায়। লগতে হাতীৰ সম্ভাব্য বেমাৰ আৰু তাৰ প্ৰতিকাৰৰ উপায়, হাতী নিয়ন্ত্ৰণৰ বাবে ব্যৱহৃত ৰছী, অস্কুশ আদিৰ বৰ্ণনাৰে হস্তি বিদ্যাৰ্ণৱ পুথিখন সমৃদ্ধ কৰা হৈছে।

ভাষাতাত্ত্বিক আৰু আৰ্য়ুবেদীয় – দুয়োবিধ গৱেষণাৰ কাৰণে হস্তি বিদ্যাৰ্ণৱ নিঃসন্দেহে এখন উৎকৃষ্ট পুথি। বিশ্বৰ বিভিন্ন আৰ্ন্তজাতিক আৰু সৰ্ব্বভাৰতীয় সন্মিলনত গ্ৰন্থখনে যথেষ্ঠ সমাদৰ লাভ কৰিছে। *(সহায় লৈ)*

# আহোমসকলৰ আগমনৰ সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজনৈতিক পৰিস্থিতি

**ভবেন খনিকৰ**
প্ৰবক্তা, ইতিহাস বিভাগ

ত্ৰয়োদশ শতিকাৰ তৃতীয় দশকত ম্যানমাৰৰ শ্বান প্ৰদেশৰ পৰা চুকাফাৰ নেতৃত্বত সুবৃহৎ টাই জাতিৰ এটা ঠাল আহোমসকলে পাটকাই পৰ্বত পাৰ হৈ অসমত প্ৰবেশ কৰা সময়ত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত এক ৰাজনৈতিক অনৈক্যৰ চিত্ৰ প্ৰতিফলিত হৈছিল। ঐক্য, সংহতি আৰু সমন্বয়ৰ যোগেদি চাওলুং চুকাফাই স্ব-ৰাজ্য ত্যাগ কৰি কত বিপদ নেওঁ... কেনে উদাৰ আৰু বিশাল মানসিকতাৰে ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিবোৰৰ অন্তৰ জয় কৰি, সিবিলাকক বুকুতে সোমাই যুগ যুগৰ বাবে তেওঁৰ উত্তৰ পুৰুষে ৰাজত্ব কৰি গ'ল গৌৰৱোজ্জ্বল ছশটা বছৰ।

দ্বাদশ শতিকাৰ মাজত প্ৰাচীন কামৰূপত পাল বংশৰ ৰজাসকলৰ ৰাজত্বৰ পৰিসমাপ্তি ঘটাৰ পিছত ইয়াৰ ধ্বংসস্তুপৰ ওপৰতে কমতা ৰাজ্য আৰু কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীয় ৰাজ্যই মূৰ দাঙি উঠে। এই ৰাজ্যবোৰৰ প্ৰশাসন ব্যৱস্থা জনজাতীয় স্তৰতে আছিল আৰু অধিবাসীসকলে ঝুম খেতিৰে জীৱিকা-নিৰ্বাহৰ উপায় অৱলম্বন কৰিছিল। কিছু কিছু উৎসৰ মতে, চুকাফাৰ আগমনৰ পূৰ্বেও ম্যানমাৰৰ শ্বান প্ৰদেশৰ অলেখ তাই ৰাজ্যৰ কোনো ৰজাই ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনজাতীয় ৰাজ্যবোৰৰ পৰা নিয়মিত কৰ-কাটল তুলিছিল, যিসকলক প্ৰাচীন বুৰঞ্জী পুথিসমূহত 'নৰা ৰজা' বুলি উল্লেখ কৰিছে। লিখিত তথ্য নথকাৰ বাবে পাল পৰৱৰ্তী তথা প্ৰাক্-আহোম সময়ছোৱাত জনজাতীয় ৰাজ্যবোৰৰ ইতিহাস ধূঁৱলি-কুঁৱলী।

প্ৰাচীন গৌৰৱময় কামৰূপ ৰাজ্যৰ দ্ৰুত অৱক্ষয় আৰু বিলুপ্তি প্ৰক্ৰিয়াৰ ফলত স্থানীয়ভাৱে নতুন নতুন শাসন ব্যৱস্থাৰ আবিৰ্ভাৱ হোৱা দেখা যায়। এই সময়ছোৱাত বহুতো নতুন ৰাজ্য আৰু পুৰণি আমোলৰ অভিজাতসকলে বিভিন্ন অংশত ক্ষুদ্ৰ ক্ষুদ্ৰ সামন্ত ৰাজ্য স্থাপন কৰি স্বাধীনভাৱে শাসন কৰিবলৈ লয়। এই সামন্ত শ্ৰেণীৰ মুখীয়ালসকলক "ভূঞা" বুলি কোৱা হৈছিল। বৰ্তমানৰ কামৰূপ, দৰং, নগাঁও আৰু লক্ষীমপুৰৰ কিছু কিছু অংশত তেওঁলোকে নিজাকৈ একোখনকৈ ৰাজ্য স্থাপন কৰি শাসন কৰিছিল। পূৰ্বৰ ৰজাঘৰৰ পৰা নিজ সেৱাৰ স্বীকৃতি বা উপহাৰ





হিচাপে লাভ কৰা বিশাল ভূমি সম্পত্তি তথা বনুৱাই তেওঁলোকক আৰ্থিকভাৱে সচ্ছল কৰাৰ লগতে ৰাজনৈতিকভাৱে উচ্চাকাংক্ষীও কৰি তুলিলে। ভূঞা নেতাসকলে কামৰূপ বা কমতা ৰজাৰ সাৰ্বভৌমত্বক যদি স্বীকাৰ কৰি লৈছিল, কিন্তু কেন্দ্ৰীয় ৰাজশক্তিৰ দুৰ্বলতাৰ উমান পালেই তেওঁলোকে নিজ নিজ অঞ্চলত স্বাধীনভাৱে শাসন কৰিবলৈ লৈছিল। উল্লেখযোগ্য যে ভূঞা নেতাসকলৰ মাজত ক্ষমতা বিস্তাৰ লৈ প্ৰায়ে সংঘাত, সংঘৰ্ষ আদি হৈছিল যদিও এই ভূঞাসকলৰ কিন্তু এটা শ্ৰেণীগত বৈশিষ্ট আছিল যে বাহিৰা আক্ৰমণ বা বিপদৰ সময়ত তেওঁলোক একগোট হৈছিল। এই সামন্ত জমিদাৰ শ্ৰেণীটো ব্ৰহ্মপুত্ৰ উপত্যকাত এক প্ৰভাৱশালী ৰাজনৈতিক শক্তিত পৰিণত কৰাত অন্যতম প্ৰধান কাৰণ আছিল।

গতিকে শেষত ক'ব পাৰি যে মধ্যযুগৰ অসমৰ ইতিহাসত অৰ্থাৎ চতুৰ্দশ শতিকাৰ পৰা ষোড়শ শতিকাৰ আগভাগলৈকে কেন্দ্ৰীয় শক্তিৰ প্ৰায় অনুপস্থিতিৰ সুযোগ লৈ এই ভূঞাসকলে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন অঞ্চলত প্ৰবল প্ৰতিপত্তিৰে নিজ ক্ষমতা সাব্যস্ত কৰিছিল। কিন্তু অৱশেষত অসমৰ পূবে পৰাক্ৰমী আহোম ৰাজ্যৰ প্ৰতিষ্ঠা আৰু ক্ৰমাগত সম্প্ৰসাৰণ তথা পশ্চিমত শক্তিশালী কোঁচ ৰাজ্যৰ প্ৰতিষ্ঠাত ভূঞাসকলে ক্ৰমে তেওঁলোকৰ ৰাজনৈতিক উচ্চাকাংক্ষা বিসৰ্জন দিবলৈ বাধ্য হ'ল। এই দুই উদীয়মান শক্তিৰ হেঁচাত ষোড়শ শতিকাৰ প্ৰথম ভাগত ভূঞাসকলৰ ক্ষমতা তথা আধিপত্য লুপ্ত হ'ল। মুঠতে প্ৰবল প্ৰতাপী ভূঞাসকল যে অকল ৰাজনৈতিকভাৱেই যে শক্তিশালী আছিল এনে নহয়, বৰং মধ্যযুগৰ অসমৰ ইতিহাসত অৰ্থনৈতিকভাৱেই টনকিয়াল কৰাৰ লগতে বিশেষকৈ অসমীয়া সভ্যতা-সংস্কৃতি জগতলৈ অমূল্য বৰঙনি আগবঢ়াইছিল।

পাল বংশৰ পতন তথা কামৰূপ ৰাজ্যৰ বিভাজনৰ কালত উজনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজনৈতিক মঞ্চত প্ৰভাৱশালী হোৱা এক অন্যতম প্ৰধান শক্তি আছিল চুতীয়াসকল। এই চুতীয়া ৰাজ্য ব্ৰহ্মপুত্ৰ নদীৰ একেবাৰে উত্তৰ-পূব অঞ্চলত আছিল আৰু এই ৰাজ্যৰ উত্তৰে ব্ৰহ্মপুত্ৰ, পশ্চিমে সোৱণশিৰি নদীৰ উপনৈ চিচি, দক্ষিণে বুঢ়ীদিহিং নদীলৈকে বিস্তৃত আছিল। খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ পৰা ষোল্লশ শতিকালৈকে শদিয়াক ৰাজধানী হিচাপে লৈ তেওঁলোকে এই অঞ্চল শাসন কৰিছিল। দেওধাই অসম বুৰঞ্জীত চুতীয়াসকলৰ এঘাৰজন ৰজাৰ নাম পোৱা যায়। তেওঁলোকৰ ভিতৰত নিত্যা নাৰায়ণ ওৰফে নীতিপালেই আছিল চুতীয়াসকলৰ শেষ ৰজা। আহোম ৰজা চুহুংমুং ওৰফে দিহিঙ্গীয়া ৰজাই (১৪৯৭-১৫৩৯ খ্ৰীঃত) গোটেই চুতীয়া ৰাজ্য নিজ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰি সেই অঞ্চল শাসন কৰিবৰ কাৰণে শদিয়াখোৱা গোঁহাই নামে এজন শাসনকৰ্তা নিয়োগ কৰে। তেতিয়াৰ পৰা চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ অংশ বিশেষ

হৈ পৰে। ভূঞা-সামন্তসকলে যেতিয়া ব্ৰহ্মপুত্ৰ উপত্যকাৰ নামনি আৰু মধ্য অংশত শাসন কৰিছিল, তেতিয়া মঙ্গোলীয় গোষ্ঠীৰ বড়ো শাখাৰ মৰাণ নামৰ থলুৱা জনজাতিটোৱে উত্তৰে বুঢ়ীদিহিং, দক্ষিণে দিচাং, পূবে চাফ্ৰাই নদী তথা পশ্চিমে ব্ৰহ্মপুত্ৰ নদীকে সীমা কৰি শাসনকাৰ্য্য চলাইছিল। বৰাহী নামৰ আন এটা মঙ্গোলীয় গোষ্ঠীৰ বড়ো শাখাৰ ৰজাই উত্তৰে দিচাং, দক্ষিণে দিখৌ, পূবে নগাহাট আৰু পশ্চিমে বৰাহী ফিকাৰ মধ্যৱৰ্তী অঞ্চলটোত শাসন কৰিছিল। বৰাহীসকলৰ এটা ঠালে সম্ভৱতঃ পাল ৰাজবংশৰ পতনৰ পিছত কপিলী উপত্যকাতো ৰাজ্য গঠন কৰিছিল। চুকাফাৰ ব্ৰহ্মপুত্ৰ উপত্যকালৈ আগমনৰ সময়ত মৰাণ আৰু বৰাহী এই দুয়োপক্ষৰে মিলাই প্ৰায় ৪,০০০ যোদ্ধা আছিল। বৰাহীসকলৰ ৰজাজনৰ নাম আছিল থাকুমথা আৰু তেওঁলোকৰ ৰাজ্যৰ ৰাজধানী চৰাইদেউ পৰ্বতমালাৰ আশে-পাশে আছিল।

চুকাফাই ভিন-ভিন ঠাইত ঘূৰি-পকি দিহিংমুখৰ পৰা অৰ্থাৎ বৰ্তমানৰ নামৰূপ অঞ্চলৰ পৰা বিচাৰ কৰোঁতে দক্ষিণে কছাৰী আৰু উত্তৰে বৰাহী মৰাণ ৰাজ্য পাইছিল। প্ৰাচীন বুৰঞ্জীসমূহত চুকাফাই মৰাণলোকসকলক চাৰিং, শলগুৰি, তিপাম, শিমলুগুৰি, দিখৌমুখ, দিলিহমুখ, নামৰূপ, হাবুং আদি ঠাইত লগ পোৱাৰ বিভিন্ন বিৱৰণ উল্লেখ আছে, যিসমূহ ঠাই বৰ্তমানৰ শিৱসাগৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ অন্তৰ্ভুক্ত। হৰকান্ত বৰুৱা সদৰামিনৰ মতে মৰাণসকলৰ ৰাজধানী আছিল শদিয়াৰ দক্ষিণফালে কাকতল'ত, যিখন ঠাই বৰ্তমান মৰাণ জনবসতিৰ ঘনত্বলৈ চাই তিনিচুকীয়া জিলাৰ কাকপথাৰৰ লগত চিনাক্ত কৰিব পাৰি। তেওঁলোকৰ নিজৰ স্বীকাৰোক্তি মতেই বৰাহী, চুতীয়া আৰু কছাৰীসকলৰ সৈতে মিলা-প্ৰীতি অটুট ৰাখি সদৃশ জনজাতীয় জীৱনধাৰা আৰু ৰাজনৈতিক প্ৰশাসন চলাই আছিল।

চুকাফাই ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰাৰ সময়ত মৰাণসকলৰ মুখিয়াল আছিল বদৌচা। তাৰ আগৰ মুখিয়াল বা ৰজাসকলৰ নাম জানিবৰ কোনো উৎস নাই। চুকাফাই বদৌচাৰ কন্যাৰ পাণি গ্ৰহণ কৰি বন্ধুত্বসুলভ নীতিৰে, কূটনৈতিক উপায়েৰে আৰু ক্ষেত্ৰবিশেষে বল প্ৰয়োগ কৰি বিনাযুদ্ধে মৰাণ ৰাজ্য চালুকীয়া আহোম ৰাজ্যৰ অন্তৰ্ভুক্ত কৰে। মৰাণ-বৰাহীসকলে এই কাৰ্যৰ প্ৰতিবাদ কৰাৰ সলনি পৰৱৰ্তী সময়ছোৱাত আহোম ৰাজতন্ত্ৰক নানা ধৰণে সহায় কৰাহে দেখা যায়। কিন্তু ইতিহাসৰ অনিৰুদ্ধ গতি এনে যে ত্ৰয়োদশ শতিকাত স্বৰ্গদেউ চুকাফাক নিজৰ ৰাজ্যখনো হেলাৰঙে এৰি দি এখন বৰ অসম গঢ়াত সহযোগিতা আগবঢ়োৱাসকলেই পৰ্ব্বৱতীকালত মায়ামৰীয়া বিদ্ৰোহত লিপ্ত হৈ আহোম সামন্ততন্ত্ৰৰ আয়ুস চমু চপাই আনিলে।

স্বৰ্গদেউ চুকাফাই মৰাণ প্ৰজাক খৰি, মৌ-জোল, ৰং, শাক-পাচলি আদি যোগানৰ ভাৰ দিছিল আৰু গচিকলা এঙ্গোৱা আৰু বৰখোৱা নামৰ তিনিখন খাট খাদ্য-শস্য





উৎপাদনৰ বাবে দিছিল। পিছলৈ তেওঁলোকে নিয়মিতভাৱে হাতীও যোগান ধৰিবলগীয়া হৈছিল। কিন্তু তেওঁলোকে কোনো প্ৰত্যক্ষ কৰ দিবলগীয়া নহৈছিল।

ত্ৰয়োদশ শতিকাৰ আগভাগত যেতিয়া চুকাফাৰ নেতৃত্বত আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত পদাৰ্পণ কৰিছিল, সেই সময়ত কছাৰীসকল আছিল সকলোতকৈ শক্তিশালী আৰু সুসংগঠিত জনজাতি। তেওঁলোকৰ ৰাজ্য পূবে দিখৌ নদীৰ পৰা পশ্চিমে কপিলী নদীলৈকে আৰু দক্ষিণে বৰ্তমানৰ উত্তৰ কাছাৰ জিলা পৰ্যন্ত বিস্তৃত আছিল। এই শক্তিশালী কছাৰী ৰাজ্যখনৰ ৰজাজনৰ নাম আছিল সম্ভৱতঃ বিচাৰ পতিফা। চুকাফাই ব্ৰহ্মপুত্ৰ উপত্যকাত পদাৰ্পণ কৰিয়েই কছাৰীসকলৰ শক্তিৰ উমান পাইছিল আৰু তেওঁলোকৰ লগত সংঘৰ্ষ এৰাই চলিবলৈ যত্নৱান হৈছিল। অৱশ্যে চুকাফাৰ উত্তৰাধিকাৰীসকলৰ দিনত আহোম-কছাৰী সংঘৰ্ষ আৰম্ভ হৈছিল আৰু তেওঁলোকৰ ৰাজধানী ডিমাপুৰকে ধৰি কছাৰী ৰাজ্যৰ বিস্তীৰ্ণ অঞ্চলৰ ওপৰত আহোমৰ প্ৰতিপত্তি স্থাপন হৈছিল।

চুকাফাৰ আগমনৰ সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ একেবাৰে পশ্চিমত আছিল কামৰূপ ৰাজ্য। এটা সময়ত পশ্চিমে বৰ্তমানৰ ভূটান, বঙ্গদেশ, বাংলাদেশৰ কিছু অঞ্চল আৰু পূবে অন্ততঃ দিকৰাই নৈ পৰ্যন্ত ব্ৰহ্মপুত্ৰ উপত্যকালৈ গঠিত এই বিশাল সাম্ৰাজ্য কিন্তু ত্ৰয়োদশ শতিকাৰ আগভাগত দ্ৰুত পতনৰ দিশত ধাৱমান হৈছিল। প্ৰকৃতপক্ষে দ্বাদশ শতিকাৰ মাজভাগত পাল ৰাজবংশৰ সমাপ্তিৰ পিছৰ পৰাই গৌৰৱোজ্বল কামৰূপ ৰাজ্যৰ পতনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। পালসকলৰ পিছত ক্ষমতা হস্তগত কৰা কামৰূপৰ পৰৱৰ্তী ৰজাসকল বৃহৎ ৰাজ্যখনৰ ঐক্য-সংহতি অটুট ৰাখিব পৰাকৈ শক্তিশালী নাছিল। এনে এক দুৰ্যোগপূৰ্ণ পৰিস্থিতিতেই কামৰূপ ৰাজ্যই পশ্চিম দিশৰ পৰা এক প্ৰবল প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগাত পৰিল। ১২০৬ খ্ৰীঃত মহম্মদ বিন বখতিয়াৰে কামৰূপ ৰাজ্য আক্ৰমণৰ পিছৰ পৰাই তেওঁৰ পদাংককে অনুকৰণ কৰি পৰৱৰ্তী কেইবা শতিকা ধৰি মুছলমানৰ নেৰানেপেৰা অসম আক্ৰমণৰ ইতিহাস আৰম্ভ হ'ল। উল্লেখনীয় যে ১২৫৭ খ্ৰীঃত মুছলমান সেনাধ্যক্ষ তুগ্ৰীলখানে কামৰূপ আক্ৰমণ কৰাৰ পিছতেই কামৰূপ ৰাজ্যৰ শেষ ৰজা সন্ধ্যাই তেওঁৰ ৰাজধানী কামৰূপ নগৰৰ (বৰ্তমানৰ উত্তৰ গুৱাহাটী)ৰ পৰা বৰ্তমানৰ কোচ বিহাৰৰ ওচৰৰ কমতাপুৰলৈ ৰাজধানী স্থানান্তৰ হোৱাৰ লগে লগে কামৰূপ নামৰ স্বাধীন ৰাজ্যখনৰ সুকীয়া অস্তিত্বৰো বিলুপ্তি ঘটিল। ইয়াৰ পিছৰ পৰাই বৰ্তমানৰ গোৱালপাৰা, কোচ বিহাৰ আৰু উত্তৰ বঙ্গৰ কিছু অঞ্চলক লৈ কমতা বা কামৰূপ কমতা নামে এখন সুকীয়া ৰাজ্য গঢ় লৈ উঠিছিল। এই কমতা ৰাজ্য পঞ্চদশ শতিকাৰ শেষলৈকে প্ৰায় ২৫০ বছৰ কাল বৰ্তি আছিল।

এনেদৰে দেখা যায় যে ত্ৰয়োদশ শতিকাৰ আগভাগত ব্ৰহ্মপুত্ৰ উপত্যকা

ৰাজনৈতিকভাৱে বহু বিভক্ত আছিল। এনে এক অনৈক্য বিৰাজমান অৱস্থাতে ব্ৰহ্মপুত্ৰ উপত্যকা পশ্চিম দিশৰ পৰা সাম্ৰাজ্যবাদী মুছলমান শক্তিৰ প্ৰবল আক্ৰমণৰ সন্মুখীন হৈছিল আৰু অন্যহাতে পূব দিশত বৰ্তমানৰ ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ কিছু অঞ্চলক লৈ ক্ষুদ্ৰ আহোমসকলৰ ৰাজ্য প্ৰতিষ্ঠা হৈছিল কালক্ৰমত এই আহোমসকলেই বিভিন্ন শক্তিসমূহক পৰাভূত কৰি সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাক একেখন ৰাজনৈতিক মঞ্চত ঐক্যবদ্ধ কৰাই নহয়; লগতে সাম্ৰাজ্যবাদী তুৰ্কী-আফগান তথা মোগলসকলৰ বাৰম্বাৰ আক্ৰমণকো প্ৰতিহত কৰি নিজ ৰাজ্যৰ স্বাধীনতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছিল। ০০

*সহায়ক গ্ৰন্থ ঃ*

ডঃ তচন্দুক আমানুল হুচেইন – অসম বুৰঞ্জী (১২২৮-১৮৫৮)
৪ৰ্থ পৰিবৰ্দ্ধিত সংস্কৰণ ২০০৭-০৮
বনলতা প্ৰকাশক, ডিব্ৰুগড়





# শিৱসাগৰ আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলত সিচঁৰিত আহোম যুগৰ স্থাপত্য ভাস্কৰ্য আৰু কীৰ্তিচিহ্নবোৰ

**চাবানা খান**
প্ৰাক্তন ছাত্ৰী, ইতিহাস বিভাগ

আৰম্ভণি ঃ ২০০৫ চনৰ ৪ ডিচেম্বৰ দেওবাৰৰ দিনা দুলীয়াজান মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ দ্বাৰা ঐতিহাসিক বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলবোৰত সিচঁৰিত হৈ থকা আহোম যুগৰ নানান দৌল, দেৱালয়, মঠ-মন্দিৰ, কীৰ্তিস্তম্ভ আদি নানান স্মৃতিচিহ্নবোৰ চাবলৈ এক শিক্ষামূলক ভ্ৰমণৰ কাৰ্যসূচী হাতত লোৱা হৈছিল। এই শিক্ষামূলক ভ্ৰমণত বুৰঞ্জী বিভাগৰ সাধাৰণ আৰু মেজৰ পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰী, বুৰঞ্জী বিভাগৰ তিনিগৰাকী শিক্ষক-শিক্ষয়ত্ৰী ক্ৰমে সৰোজনী দেৱী বাইদেউ, ভূপেন শইকীয়া ছাৰ আৰু ৰুবুল ছাৰৰ উপৰিও দুলীয়াজান মহাবিদ্যালয়ৰ অন্য বিভাগৰ তিনিগৰাকী শিক্ষকেও অংশগ্ৰহণ কৰিছিল। আমাৰ ২৭ জনীয়া দলটোৱে আমি প্ৰায় পুৱা ৭.২০ মান বজাত দুলীয়াজানৰ পৰা শিৱসাগৰৰ অভিমুখে ৰাওনা হৈছিলো। আমাৰ বাছখনে ৰাস্তাৰ ধূলি উৰুৱাই, কুঁৰলী ফালি তীব্ৰ গতিৰে লক্ষ্যস্থানৰ অভিমুখে গতি কৰিছিল।

পুৱা ৯.৩০ মান বজাত আমি মৰাণৰ এখন হোটেলত লৰালৰিকৈ চাহ খাই বাছত উঠিলোহি। বাছখন আকৌ আগৰ গতিত চলিবলৈ ধৰিলে। বাচখন চলাৰ লগে লগে এক অচিন বতাহ খিৰকীয়েদি ভিতৰলৈ সোমাই আহিল। মোৰ এনে লাগিল যেন বতাহজাকে আমাক "শিৱসাগৰলৈ" অহাৰ বাবে স্বাগতমহে জনাইছিল আৰু এজাক অচিন আত্মাই যেন নিজৰ অতীতৰ গৌৰৱময় গাথাঁ জনাবলৈ আমাক অতি চেনেহৰে আদৰি লৈ গৈছিল।

**শিৱসাগৰ ঃ** শিৱসাগৰ হ'ল অসমৰ পৰ্যটকৰ এটা আকৰ্ষণীয় কেন্দ্ৰ স্থল। আহোম যুগৰ অনেক স্মৃতি চিহ্ন সগৌৰবেৰে এই ঠাইত থিয় হৈ আছে। এই শিৱসাগৰৰ পৰাই অসমৰ প্ৰথম অসমীয়া বাতৰিকাকত "অৰুণোদয়" ১৮৪৬ চনতপ্ৰকাশ পাইছিল। ইতিহাস প্ৰসিদ্ধ এই শিৱসাগৰৰ পুৰণি নাম আছিল ৰংপুৰ। অসমত ৪১ জন টাই বংশোদ্ভৱ স্বৰ্গদেৱে যথাক্ৰমে ৰাজত্ব কৰিছিল। তেওঁলোকৰ ভিতৰত প্ৰথম ৰজা চাওলুং চুকাফা আছিল আৰু শেষজন আছিল স্বৰ্গদেউ যোগেশ্বৰ

সিংহ। ১৮২৬ খৃষ্টাব্দৰ ইয়াণ্ডাবু সন্ধিৰ লগে লগে মান ৰজাৰ আক্ৰমণ প্ৰতিহত হয়, ইংৰাজৰ শাসন অসমত চলে আৰু স্বৰ্গদেও সকলৰ ৰাজত্ব চিৰকাললৈ অৱসান হয়। অসমৰ উজনি, নামনিৰ সকলো ব্যৱস্থা শিৱসাগৰৰ পৰাই হৈছিল। সেইমতে, ৰজা, ডা-ডাঙৰীয়া, মন্ত্ৰী, ফুকন, বিষয়াৰ তোলপাৰ লগায় থকা পৰিৱেশ কালৰ গতিয়ে সামৰি ল'লে। অৱশিষ্ট হিচাপে সেই স্বৰ্গদেউসকলৰ কীৰ্তি চিহ্নবোৰেই সাক্ষী হৈ ৰ'ল। আহোম যুগৰ স্মৃতি বিজড়িত ঘৰ-দুৱাৰ আদিৰ উপৰিও অনেক ধৰ্মীয় অনুষ্ঠান শিৱসাগৰ জিলাত সিচঁৰিত হৈ আছে।

আমি এই শিক্ষামূলক ভ্ৰমণত যিবোৰ চালোঁ তাৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল -

**১) নামদাঙৰ শিলৰ সাকোঁ ঃ** আমি প্ৰায় ১০.২০ত নামদাংৰ শিলৰ সাকোঁত গৈ উপস্থিত হ'লোগৈ। শিৱসাগৰৰ পৰা ৬ মাইল দক্ষিণ পশ্চিমে গৌৰীসাগৰৰ ওচৰৰ নামদাং নৈৰ ওপৰত এই বৃহৎ শিলৰ সাকোঁ ৰুদ্ৰেশ্বৰ সিংহ ওৰফে চুখ্ৰাংফাই সজাইছিল। ইয়াত আমি ১০ মিনিট মান সময় ৰৈ পুনৰ গৌৰীসাগৰ অভিমুখে যাত্ৰা আৰম্ভ কৰিছিলো। ("নামদাং" টাই আহোম ভাষাৰ "নামদেং" শব্দৰ অপভ্ৰংশ। নাম-পানী, দেঙ-ৰঙা, এতেকে নামদেং - ৰঙা পানীৰ নৈ ।)

**২) গৌৰীসাগৰৰ পুখুৰী ঃ** ১৭২৩ খৃষ্টাব্দত শিৱসিংহৰ প্ৰথমা পত্নী আইকুঁৱৰী বৰ ৰজা ফুলেশ্বৰী দেৱীয়ে শিৱসাগৰ মহকুমাত গৌৰীসাগৰ পুখুৰী খন্দাইছিল আৰু তাৰ পাৰত তিনিটাকৈ দৌল নিৰ্মাণ কৰাইছিল। এই গৌৰীসাগৰৰ পুখুৰীটোৰ মাটিকালি প্ৰায় ১১০ পূৰা মাটি। এই পুখুৰীৰ পাৰৰ দৌল তিনিটা বিষ্ণুদৌল, শিৱদৌল আৰু দেৱীদৌল। দেবীদৌলটো প্ৰায় ১২৪ ফুট মান ওখ হ'ব। এই দেৱীদৌলটোৰ বেৰত দূৰ্গা, কালী, শিৱ আদি নানান দেৱ-দেৱীৰ নক্সা খোদিত আছে।

**৩) জয়সাগৰ ঃ** ১৬১৯ শকত স্বৰ্গদেউ ৰুদ্ৰসিংহই তেওঁৰ মাতৃ সত্যাগ্ৰহী, সতী জয়মতী কুঁৱৰীক স্বৰ্গদেউ ল'ৰাৰজাৰ দিনত যিঠাইত শাস্তি দি হত্যা কৰা হৈছিল সেই ঠাইকে কেন্দ্ৰ কৰি তেওঁৰ নাম চিৰস্মৰণীয় কৰিবৰ অৰ্থে জয়সাগৰৰ পুখুৰী খন্দাই আৰু তাৰ পাৰত জয়দৌল নিৰ্মাণ কৰাইছিল। জয়সাগৰ পুখুৰীটোৰ পাৰত পাঁচটা দৌল আছে। ইয়াৰ ভিতৰত জলদৌলটোৱেই আটাইতকৈ ডাঙৰ। ইয়াৰ আচল নাম কেশৱৰাই বিষ্ণুদৌল। জয়দৌলটো আহোম ৰাজত্বকালত নিৰ্মিত দৌল দেৱালয়ৰ ভিতৰত আটাইতকৈ ধুনীয়া আৰু গাঁথনিও মজবুত। দৌলটোৰ গাত দেৱ-দেৱীৰ ৰং-ধেমালি কৰা দৃশ্য আৰু ৰুদ্ৰসিংহৰ ঘোঁৰাত উঠি যোৱা মূৰ্ত্তি এটাও আছে। জয়দৌলটোৰ পূৱত দুটা সৰু সৰু দুচলীয়া ইটাৰ পকীঘৰ আছে। ইয়াৰে এটা সূৰ্য আৰু আনটো গনেশ মন্দিৰ। জয়দৌলৰ দক্ষিণ ফালে থকা ঘৰটো ভোগঘৰ। জয়সাগৰৰ উত্তৰৰ পাৰে সোঁমাজতে আছে বৈদ্যনাথ শিৱদৌল। ইয়াক খৰা দৌল বুলিও কোৱা হয়। এই দৌল টোৰ সন্মুখত আন এটা সৰু মন্দিৰো আছে। পুখুৰীটোৰ পশ্চিম পাৰে থকা সৰু দৌলটো হ'ল ঘনশ্যাম দৌল বা নাতি গোহাঁই দৌল। এই পুখুৰীৰ এটি পাৰত "শিৱসাগৰ কলেজ" আছে।

**৪) তলাতল ঘৰ ঃ** তলাতল ঘৰটো নিৰ্মাণ কৰোৱাইছিল ৰাজেশ্বৰ সিংহই। তলাতল ঘৰটো নিৰ্মাণ কৰা হৈছিল বিশেষ কৌশলপূৰ্ণ শৈলীৰে। ইয়াৰ তলে তিনি মহল, ওপৰে তিনিমহল। অৱশ্যে মাটিৰ তলৰ খলপলৈ বৰ্তমান প্ৰৱেশ কৰিব নোৱাৰি। তলাতল ঘৰটো এনে কৌশলেৰে নিৰ্মাণ কৰা যে, ভিতৰ সোমালে বাহিৰ ওলোৱা টান আৰু কোনটো কোঠাৰ পৰা কোনটোৱেদি ওলোৱা যায় ধৰা বৰ টান। ইয়াৰ বাহিৰৰ দুৱাৰ বিলাকতকৈ ভিতৰৰ দুৱাৰ বিলাক ক্ৰমাৎ চাপৰ। প্ৰথমে ভিতৰলৈ সোঁমাই যাওঁতে এই কথা চকুত নপৰে, কিন্তু ক্ৰমান্বয়ে ভিতৰলৈ গৈ থাকিলে পাছলৈ চাপৰহে দুৱাৰেদি সোমাব পৰা হয়। ঘৰবোৰৰ কোঠাৰ ভিতৰফালৰ চাদ চেপেটা নহয়, কিন্তু গোলাকৃতিৰ। সেইকাৰণে তাৰ ওপৰত যে আৰু কোঠা আছে ধৰিব নোৱাৰি। এই তলাতল ঘৰটোৰ তলৰ পৰা দুটা সুৰংগ এটা গড়গাঁৱলৈ ১৭ মাইল আনটো দিখৌ নদীলৈ ২ মাইল। শত্ৰু আক্ৰমণত ৰজাই যাতে ততালিকে শত্ৰুক প্ৰতিহত কৰিব পাৰে, তাৰ কাৰণেই এই ব্যৱস্থা আছিল। বৃটিছৰ দিনত এই সুৰংগ বিলাক বন্ধ কৰি দিয়া হৈছিল। তলাতল ঘৰৰ এটা দেৱালত ৰাজেশ্বৰ সিংহ আৰু মনিপুৰৰ ৰাণী কুৰঙ্গনয়নীৰ মূৰ্ত্তি অংকিত আছে। বৰ্তমান এই তলাতল ঘৰটো আগৰ অৱস্থাত নাই। ১৯৫০ চনৰ ভূমিকম্পত ইয়াৰ বহু ক্ষতি হয়। তলাতল ঘৰৰ পশ্চিমফালে আঠকোণীয়া মন্দিৰো আছে। পকীবেৰৰ ভিতৰতে তলাতল ঘৰৰ পশ্চিমে থকা পুখুৰীটোৰ নাম সোণতোলা বা মিঠা পুখুৰী। ডঃ লীলা গগৈৰ মতে, মিঠা পুখুৰীটো আচলতে পুখুৰী নহয়, ই এটা পানী ভৰাই ৰখা ঘৰহে। ইয়ালৈ জয়সাগৰৰ পৰা মাটিৰে পকী কৰা নলেৰে পানী আনিছিল। তলাতল ঘৰৰ দক্ষিণ পশ্চিমলৈ থকা ঘৰটো হ'ল খাৰঘৰ বা গোলাঘৰ। ১৭০৪ খৃষ্টাব্দত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত এই খাৰঘৰটো নিৰ্মাণ কৰা হৈছিল।

তলাতল ঘৰটোলৈ সোমোৱা গেটৰ সন্মুখতে আহোমৰ দিনৰ দুটা বৰটোপ সজাই থোৱা আছে। বৰ্তমান তলাতল ঘৰত থকা তৰুণ সন্দিকৈ নামৰ এজন গাইডে আমাক তলাতল ঘৰৰ বিভিন্ন ভাগবোৰৰ ভিতৰলৈ নি দেখুৱাইছিল।

**৫) ৰংঘৰ ঃ** ১৭৪৬ খৃষ্টাব্দত স্বৰ্গদেৱ প্ৰমত্ত সিংহই ৰংপুৰত ৰংঘৰ নিৰ্মাণ কৰোৱাইছিল। প্ৰমত্ত সিংহই দুতলা কৰি ৰংঘৰ নিৰ্মাণ কৰিছিল আৰু ইয়াৰ ওপৰত ঘঁৰিয়ালৰ প্ৰতীক দিছিল। ৰংঘৰটো ঘূৰণীয়া ধৰণৰ, ভিতৰখন বেছ আহল-বহল। তলৰ পৰা ওপৰলৈ উঠিযোৱা খট্‌খটীৰ কাষৰ বেৰখনত ক্ষয়প্ৰাপ্ত বিভিন্ন মূৰ্ত্তি। এই ৰংঘৰটো আহোম যুগৰ ৰংগমঞ্চ আছিল। এই ৰংঘৰত বহি স্বৰ্গদেৱে ডাঙৰীয়া লগত ৰূপহী পথাৰত হাতী, ম'হ, শেন-কনুৱা, বহৰী, মালযুঁজ চাইছিল আৰু বিভিন্ন বিহু নৃত্যও উপভোগ কৰিছিল।


সৌমাৰজ্যোতি ২০০৬-০৭
ইতিহাস বিভাগ - দুলীয়াজান মহাবিদ্যালয়

বৰ্তমান চৰকাৰে ৰংঘৰক অধিক আকৰ্ষণীয় কৰি তুলিবলৈ ইয়াত এখন উদ্যান গঢ়ি তুলিছে। এই উদ্যানৰ প্ৰবেশ দুৱাৰত প্ৰবেশ টিকটৰ ব্যৱস্থা আছে।

**৬) শিৱসাগৰ পুখুৰী ঃ** মূল শিৱসাগৰ নগৰতেই আছে শিৱসাগৰ পুখুৰী। শিৱ সিংহৰ ৰাণী অম্বিকাই (১৭৩১-৩৮ খৃঃত) শিৱসাগৰ পুখুৰী খন্দাই (ইয়াৰ মাটিৰ কালি প্ৰায় ১৮০ পুৰা)তাৰ পাৰত শিৱদৌল, দেৱীদৌল বিষ্ণুদৌল নিৰ্মাণ কৰাৰোইছিল। শিৱদৌলটোৱেই এই তিনিটা দৌলৰ ভিতৰত আটাইতকৈ ওখ। বহুতো বুৰঞ্জীবিদৰ মতে শিৱদৌলৰ দৰে ওখ আৰু শিলৰ কটকটীয়া পকী গাথনিৰে গৰ্থা আন এটা দৌল ভাৰতত পোৱা বিৰল। এই দৌলৰ ওপৰত থকা সোণৰ কলচীত সূৰ্যৰ ৰশ্মি পৰি তাৰ তিৰবিৰণি জেউতি চৰায় আৰু সেই তিৰবিৰণিৰ ছায়া শিৱসাগৰ পুখুৰীৰ পানীৰ খলকনিত পৰি উঠা জিল-মিলনিৰ দৃশ্য নিজে নেদেখিলে উপলব্ধি কৰিব নোৱাৰি। এই সোণৰ কলচী মানে এৰুৱাই নিবলৈ অশেষ চেষ্টা কৰিও বিফল হৈছিল। ১৯৫০ চনৰ ভূমিকম্পত শিৱদৌলৰ ভালেমান ক্ষতি হয় আৰু কলচী সৰি পৰিছিল। বহুত বছৰৰ মূৰত দৌল মেৰামতি কৰাই কলচী পুনৰ স্থাপন কৰা হৈছিল। সোণৰ অসমত সোণৰ কলচী যেন এইদৰেই চিৰদিনৰ বাবে জিকমিকাই থাকে।

শিৱদৌল চোৱাৰ পিছত আমি শিৱসাগৰ টাউনৰ স্থানীয় হোটেল 'অন্নপূৰ্ণা'ত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি আকৌ কাৰেংঘৰলৈ বুলি ধাৱমান হ'লো।

**৭) কাৰেংঘৰ ঃ** ৰাজেশ্বৰ সিংহই গড়গাঁৱৰ ৭ মহলীয়া কাৰেংঘৰ নিৰ্মাণ কৰাইছিল। কাৰেংঘৰ চৌদিশে ৰাজেশ্বৰ সিংহই গড় মৰাই ওপৰত ১০ ফুটমান ইটাৰ বেৰা দিছিল। সেই ইটাৰ বেৰ কালৰ গতিত জহি খহি গ'ল।

কাৰেংঘৰ গড়গাঁৱত অৱস্থিত আৰু এই গড়গাওঁ শিৱসাগৰ জিলাৰ নাজিৰা চহৰৰ সমীপত আছে। স্বৰ্গদেৱসকলে নিৰ্মাণ কৰোৱা পকীঘৰৰ ভিতৰত কাৰেং ঘৰটো সকলোতকৈ সুন্দৰ। ১৯৫০ চনৰ ভূমিকম্পত কাৰেংঘৰৰ কেইবাঠাইতো ফাটে। সেই ফাটবিলাক মেৰামতি কৰা হৈছে যদিও কিছু পৰিমাণে আমাৰ চকুত পৰিছিল।

তলাতল-ঘৰ, কাৰেংঘৰ আৰু ৰংঘৰ আদি যদিও পুৰণি কীৰ্তি সংৰক্ষণ আইনৰ তলত সংৰক্ষিত হৈছে, তথাপি আশানুৰূপ ভাৱে কীৰ্তিচিহ্ন সংৰক্ষিত হোৱা নাই। বৰ্তমান কাৰেংঘৰৰ একাংশ আৰু তাৰ দুৱাৰ-খিৰিকী একো নাই।

**৮) চৰাইদেউ ঃ** কাৰেংঘৰৰ পৰা ওলাই আহি আহোম ৰাজ্যৰ প্ৰথম ৰাজধানী 'চৰাইদেউ'লৈ গৈছিলো। শিৱসাগৰ জিলাৰ দক্ষিণ পূবত চৰাইদেউ অৱস্থিত। শিৱসাগৰৰ পৰা ইয়াৰ দূৰত্ব প্ৰায় ২২ কি.মি.। ঐতিহাসিক আৰু ধৰ্মীয় দুয়ো দৃষ্টিকোণৰ পৰা অতি গুৰুত্বপূৰ্ণ ঠাই । আহোম ৰাজ্যৰ প্ৰথম ৰজা চুকাফাই ইয়াত ৰাজধানী পাতি আহোম ৰাজ্যৰ পাতনি মেলিছিল। পৰৱৰ্তী কালত ৰাজধানীখন ইয়াৰ পৰা তুলি দিয়া হয়, কিন্তু চৰাইদেউ আহোম ৰজাসকলৰ সমাধিস্থল হিচাপে ব্যৱহাৰ







কৰা হয়। সেইবাবে চৰাইদেউত অনেক ৰজাদিনীয়া মৈদাম আছে। আহোমসকলৰ বাবে চৰাইদেউ 'জেৰুজালেম' স্বৰূপ।

বহুতো পণ্ডিতৰ মতে, চৰাইদেউ প্ৰাক-আহোম যুগতো এক পবিত্ৰ তীৰ্থস্থান আছিল। আহোমৰ আগতে বৰাহী ৰজাসকলে ইয়াতেই শিৱ উপাসনা কৰিছিল বুলি অনুমান কৰা হয়। চৰাইদেউত এতিয়াও দুটা মন্দিৰৰ ধ্বংসাৱশেষ আছে। মন্দিৰ দেওশাল আৰু লাংকুৰি দৌল নামেৰে জনাজাত। ড০ লীলা গগৈৰ মতে, দেওশাল মন্দিৰটো আঠচুকীয়া আছিল। দেওশালত আহোম ৰজাসকলে সিংহাসনত আৰোহণৰ সময়ত পূজা আগবঢ়াইছিল। লাংকুৰি মানে আহোম ভাষাত শিৱ। এই মন্দিৰটো আহোম ৰজা গদাধৰ সিংহই সজাইছিল। চৰাইদেউৰ পশ্চিমে এখন পথাৰৰ মাজত এখন শিলৰ চালপীৰা আছিল যাৰ ধ্বংসাৱশেষ এতিয়াও আছে। চৰাইদেউৰ ওচৰে-পাজঁৰে আহোম যুগৰ বহুতো পুখুৰী আছে। সেইবোৰৰ ভিতৰত ৰহদৈ পুখুৰী, টেঙাপুখুৰী, আচুঁবুলীয়া পুখুৰী, কোৰ-ধোৱা পুখুৰী, শ-ধোৱা পুখুৰী আদিৰ নাম ল'ব পাৰি।

চৰাইদেউ প্ৰায় ডেৰশ বছৰ ধৰি আহোম সাম্ৰাজ্যৰ ৰাজধানী আছিল। টাই (আহোম) "চে-ৰাই-ডয়" শব্দৰ পৰা অপভ্ৰাংশ হৈ চৰাইদেউ হৈছে। চাও চুকাফাই "চে-তামডয়"ত ৰাজধানী স্থাপন কৰিছিল। চে-নগৰ, তাম-চাপৰ, ডয়-পৰ্বত। এতেকে "চাপৰ পৰ্বতৰ ওপৰত নগৰ"। সেই নগৰ ১৫০ বছৰ ভিতৰত ঘৰে-দুৱাৰে মানুহে-দুনুহে জিলিকা নগৰ হৈ উঠিল। সেই কাৰণে নাম পালে "চে-ৰাই-ডয়"। চে-নগৰ, ৰাই-জিলিকা, ডয়-পৰ্বত। এতেকে চে-ৰাই-ডয় মানে "পৰ্বতৰ ওপৰত জিলিকা নগৰ"।

এসময়ত জাকত জিলিকা ৰাজধানী আৰু আহোম কুলদেৱতা চোমদেৱে পৱিত্ৰ কৰি ৰখা তীৰ্থ ক্ষেত্ৰ আৰু মৈদাম আজি চাহ বাগিছাৰে পৰিপূৰ্ণ। দেওশাল আৰু লাংকুৰিৰ ভগ্নাৱেশষ মাত্ৰ আহোমৰ তীৰ্থক্ষেত্ৰৰ চিনাকি দিয়ে। চাহগছৰ তলত কি, ক'ত আছে বিশেষ ৰূপে অনুসন্ধান হোৱা নাই। আহোমৰ কুল দেৱতা "চোমদেও" চৰাইদেউ এৰি কলৈ গ'ল কওঁতা নাই। ইয়াৰ ভৌগলিক অৱস্থিতি যেনেকৈ পৰ্বত আৰু ভৈয়ামৰ সংগম স্থলত, তেনেকৈ এসময়ত ই পৰ্বত-ভৈয়ামক একেলগে কৰি দুয়োকে একতা পাশত আবদ্ধ কৰিছিল আৰু কমতাপুৰৰ লগত বৈবাহিক সম্বন্ধ ঘটাইছিল। ইয়াতেই বিজিত-বিজেতা, পৰ্বত-ভৈয়াম এক হৈ অসমীয়া জাতিৰ সভ্যতা, সাংস্কৃতি আদি গঢ়ি উঠিছিল। আজি চৰাইদেউক অৰণ্যই ঢাকি ৰখাত পূৰ্বৰ পৰ্বত-ভৈয়ামৰ একতাও শিথিল হৈ গ'ল। চৰাইদেউৰ ৰাজনীতিৰ অন্ত পৰাত পৰ্বত আৰু ভৈয়ামৰ অন্তৰৰ মৰম প্ৰীতিত লোপ পালে।

**মৈদাম ঃ** তাই আহোম সকলৰ অতীজৰে পৰা মৈদাম দিয়া পদ্ধতি প্ৰচলিত হৈ আছিল। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ নানা ঠাইত বৃহৎ, মজলীয়া আৰু সৰু মৈদাম সিঁচৰিত হৈ আছে। চৰাইদেউৰ দেওশালৰ পৰা উত্তৰলৈ নিমনাগড়লৈকে ১০০ৰ ওপৰৰ সুবৃহৎ শাৰী শাৰী মৈদাম বিৰাজ কৰি আছে। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনৰ পৰা আহোমসকলে যদিও

মৰাশ খৰি দিবলৈ ধৰে, তথাপিও বৃটিছৰ মৃতকৰ অস্থি মৈদাম দিছিল। কিন্তু আহোম সাম্ৰাজ্য বৃটিছৰ লগত চামিল হোৱা পাছত আহোমসকলে ৰাজ্য আৰু পূৰ্বৰ সা-সুবিধা খাট-পাম আদি সকলো হেৰুৱাব লগাত পৰে। সেয়ে তেওঁলোকৰ মৃতকসকলৰ অস্থিৰ ওপৰত মৈদাম বান্ধিবলৈ শক্তি নোহোৱা হ'ল। ফলত তেওঁলোকে অস্থিৰ ওপৰত মৈদাম বান্ধিবলৈ এৰি দিলে। কিছুমান আহোমে এতিয়াও মৰাশ খৰি নিদি মৈদাম দিয়ে।

অতীজৰ মিছৰ দেশৰ মৈদামবিলাকৰ পিৰামিড বোলে। সেই পিৰামিডত সমাধিস্থ কৰাজনৰ সকলো আৱশ্যকীয় বস্তুআৰু ধনৰত্ন দিয়া হৈছিল। স্বৰ্গদেৱসকলৰ মৈদামতে স্বৰ্গদেৱসকলে জীৱিতকালত ব্যৱহাৰ কৰা সকলো আৱশ্যকীয় বস্তু আগকৰি দিয়াৰ উপৰিও হাতী, ঘোঁৰা, লিগিৰা লিকচৌ আদি দিয়াৰ নিয়ম আছিল। দেওধাই আহোম বুৰঞ্জীৰ মতে, ৰজাই শোৱা কোঁঠালীৰ ওপৰে সাত খলপীয়া সোণৰ বৰৈ দিয়া চন্দ্ৰতাপ, মাটিত সোণৰ দাপোণ কৰা চন্দ্ৰপীৰা, পীৰাৰ চাৰিওচুকে সোণেৰে বন্ধোৱা চাৰিখুঁটি, তাতে আঁঠুৱা দিয়ে। পীৰাৰ ওপৰত ৰূপৰ পাটী, সোণ আৰু বাখৰেৰে বনকৰা গাৰু তাতে ৰাজ অলংকাৰৰ সৈতে ৰজাক শুৱাই থয়। পীৰাৰ কাষতে সোণত হীৰা বাখৰ খটোৱা ফাকেৰে হেংদান, কৰ্কালৰ ওপৰত মাটিত চাৰি পাচঁখন শৰাই, তাৰে এখন ৰূপৰ শৰাইত ধপাত থোৱা সোণৰ ভোগজৰা, এখনত সোণৰ অলংকাৰ এইদৰে সোণৰ মাইহাং পৰ্য্যন্তও দিয়ে এখন মৈদামত। অতিকমেও ১০ জন পৰিচাৰকো দিছিল। কোনো কোনোৰ মতে, ঘোঁৰা, হাতী, লিগিৰা-লিকচৌ আদি জীয়াই জীয়াই মৈদামৰ ভিতৰত তৈয়াৰ কৰা কোঠালিত সুমুৱাই দিয়া হৈছিল আৰু কোনো কোনোৱে কয়, সেইবিলাক মাৰি দিয়ে বুলি।

**মৈদাম খন্দা ঃ** মৈদামবিলাক আগৰ দৰে থাকিবলৈ হোৱা হ'লে ইজিপ্টৰ পিৰামিড বিলাকৰ দৰে পৃথিৱীৰ ভিতৰত আচৰিত বস্তু হ'লহেঁতেন। নৈসৰ্গিক ঘটনাত মৈদাম বিলাক চাপৰ হোৱাটো স্বাভাৱিক। কিন্তু তাৰ উপৰি অৰ্থলোভী মানুহে মৈদাম খান্দি টকা বিচাৰোতে ভালেমান বিলাক মৈদাম খহে। কিন্তু এই সকলোবিলাকতকৈ অসম কোম্পানীৰ চাহ খেতিয়কসকলে মৈদাম ভাঙি সমান কৰি তাৰ ওপৰত চাহ বাগিছা খোলে।

আহোম ৰজা পুৰন্দৰ সিংহৰ দিনত টকা কড়িৰ অনাটন হোৱাত ভালেমান মানুহে ৰাজ-আদেশত মৈদাম খান্দে। মুছলমান আক্ৰমণকাৰীয়েও অসম আক্ৰমণ কৰি মৈদাম খান্দি অনেক টকা কড়ি লৈ গৈছিল। মুছলমান আক্ৰমণকাৰীয়ে খন্দাৰ পাছত মানৰ দিনটো কোনো এটা মৈদাম সম্ভৱতঃ নখন্দাকৈ নৰ'ল। সেই সময়ত মৈদাম খান্দি ধন উপাৰ্জন কৰাটো এটা বৰ ডাঙৰ কাৰবাৰৰ দৰে হৈ উঠিছিল। তাৰ পিছত কোম্পানীৰ ফালৰ পৰাও মৈদাম খন্দা আৰম্ভ হ'ল। আগৰ কালৰ স্বৰ্গদেৱসকলৰ ডঁৰিত আৰু ভূত প্ৰেতৰ ভয়ত মৈদাম নখন্দাকৈ আছিল। কিন্তু আক্ৰমণকাৰী মুছলমানে যেতিয়া সেই বাট উলিয়াই দিলে, তেতিয়া মানুহৰ মনৰ ভয় গুচিল। মৈদাম খান্দি যে মানুহৰ বিপদ নোহোৱাকৈ আছিল তেনে নহয়। ভালেমান সময়ত মৈদামত সোমাই বাট বন্ধ হৈ, মাটি খহি, বেয়া গেছ বাহিৰ হৈ ভালেমান অৰ্থলোভী মানুহৰ প্ৰাণোৎ নাশ হৈছিল।

**আহোম যুগৰ স্থাপত্য ভাস্কৰ্য্যৰ বিশেষত্ব ঃ** আহোম যুগৰ কীৰ্তিচিহ্নবোৰ পৰিদৰ্শন কৰাৰ পাছত তাৰ কিছুমান বিশেষত্ব চকুত পৰিছিল। যেনেকৈ আহোম যুগৰ পুখুৰীৰ বিশেষত্ব হৈছে ইয়াৰ পানী ফটফটীয়া আৰু পুখুৰীৰ চাৰিওফালে থকা পানীৰ সমতলকৈ ইয়াৰ সমতল বহু উচ্চ আৰু পানী সদায় পাৰৰ সমান হৈ থাকে। যিহেতু পুখুৰীবিলাক পানীৰ উহঁ চাই খন্দা হৈছিল, নিশা মিঠাতেলৰ চাকি জ্বলাই, মাটিৰ ওপৰে ওপৰে চাকি লৈ গৈ থাকোঁতে, যি ঠাইতে চাকিটো ধপ্‌কৈ নুমায় যায়, সেই ঠাইতে পানীৰ উহঁ থকা বুলি ধৰে। সেই কেন্দ্ৰৰ কাষতে নাগ পোতে। সেইকাৰণে সেই যুগৰ পুখুৰীবিলাক নাগপোতা বা নাগফুটা পুখুৰী বোলে। পুখুৰীৰ চাৰিওফালে যমুনা খান্দি তাৰ মাটিৰ পাৰ বান্ধে। সেইকাৰণে পুখুৰীৰ পাৰ চাৰিওফালে মাটিতকৈ বহু ওখ হয়। উহঁেদি সদায় পানী ওলাই থকাৰ কাৰণে পুখুৰীৰ পাৰ বুৰি যায়। সেইহেতুকে শিৱসাগৰ আৰু জয়সাগৰ পুখুৰীৰ পানী ওলাই যাবলৈ বৃটিছৰ দিনত পাইপ বহুৱাইছিল। পুখুৰীবিলাকত পাৰা ঢালিছিল আৰু সেই পাৰাই পানী আজিও ফটফটীয়াকৈ ৰাখিছে। পাৰা (ৰহ) ঢলাৰ কাৰণেই পুখুৰীবিলাকক "ৰহঢলা" পুখুৰীও বোলে। যি বৈজ্ঞানিক প্ৰণালীৰে আহোমসকলে পুখুৰী খন্দাই ৰহ ঢালিছিল, সেই প্ৰণালী এতিয়া লোপ পালে। আহোম যুগৰ পুখুৰীবিলাকৰ ভিতৰত আয়তনত জয়সাগৰ পুখুৰীয়েই আটাইতকৈ ডাঙৰ। জয়সাগৰ পুখুৰীৰ পানীৰ কালি ১৫৫ একৰ, গৌৰীসাগৰৰ পানীৰ কালি ১৫০ একৰ আৰু শিৱসাগৰ পুখুৰীৰ পানীৰ কালি ১২৯ একৰ। আহোম সকলৰ আগতে বা পাছত ইমান ডাঙৰ পুখুৰী অসমত কোনেও খন্দোৱা নাই। ইমান ডাঙৰ পুখুৰী বোধকৰোঁ অন্য কতো নাই। পুখুৰীবিলাক আকাৰত ডাঙৰ হোৱা কাৰণেই "সাগৰ" নাম পাইছিল। আহোম যুগত পাইকৰ ব্যৱস্থা থকাৰ বাবেই মজদুৰৰ অভাৱ নহৈছিল। পাইকবিলাকৰ সৰহ সংখ্যকক ৰাজহুৱা কামৰ বাবে ব্যৱহাৰ কৰা হৈছিল। সেয়েহে স্বৰ্গদেৱসকলে সহজেই মথাউৰি, আলি, গড়, পকীঘৰ, মৈদাম, দৌল আদিৰ নিৰ্মাণ কৰাব আৰু বৃহৎ বৃহৎ পুখুৰী খন্দাব পাৰিছিল।

পকীঘৰ, দৌল, পকী মৈদাম আদি সাজোঁতে গুৰ, মাহ, শামুক, চূণ, চকাচূণ, ইটা, ভগা ইটা, লঠিয়া শিল, পাটশিল, তেল, ধুনা, মাছ আদি ব্যৱহাৰ কৰিছিল। আহোম যুগত বৰ্তমান কালৰ দৰে কেৱল বোকাৰে সাঁজি, বালিসানি, ভাতীত পুৰি ইটা নিৰ্মাণ কৰা নাছিল। তেওঁলোকে বৰালি মাছ, মাটিমাহ, হাঁহকণী, ঔ টেঙাৰ বীজ আদি বোকাৰ লগত মিহলি কৰিছিল। তাৰ ফলত ইটা শিলৰ দৰে টান হৈ পৰিছিল। শিল জোৰা দি বা অন্য প্ৰকাৰে সাকোঁ প্ৰস্তুত কৰা আহোম যুগতহে অসমত সম্ভৱ হৈছিল।

চৰাইদেউ চোৰাৰ পিছত গধূলি হৈ অহাত আমি আমাৰ ভ্ৰমণৰ কাৰ্যসূচী ইমানতেই শেষ কৰি উভতি আহিবলৈ বাধ্য হ'লো। সোণাৰী হৈ দুলীয়াজান আহি পাওঁতে ৰাতি ৯-৩০ মান বাজিল। দুলীয়াজান কলেজত বাছৰ পৰা আহি সকলোৱে নিজ নিজ ঘৰলৈ বুলি ৰাওনা হ'লো। দিনটোৰ ভাগৰত শৰীৰ জৰ্জৰিত হৈ পৰিছিল, কিন্তু মনত ৰৈ গৈছিল বহু অকাংক্ষিত প্ৰাপ্তিৰ তৃপ্তি। সেই অনাবিল পৰিৱেশৰ কোমল সুবাস স্মৃতি সানি আমি আকৌ ঘূৰি আহিছিলো দৈনিক ব্যস্ততাৰ মাজলৈ।

**কীৰ্তিচিহ্নবোৰৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা ঃ** বুৰঞ্জীৰে পূৰ্ণ মঠ-মন্দিৰ, দৌল-দেৱালয়, পুখুৰী আদিবোৰ অসমৰ আপুৰুগীয়া সম্পদ। এইবোৰ বিজ্ঞান সন্মতভাবে সংৰক্ষণ কৰি ৰাখিলে দেশখনৰ সৌন্দৰ্য্য ৰক্ষা হ'ব। বুৰঞ্জীয়ে দিয়া অৱদান আৰু বাস্তৱৰ সত্যতাক আমি সকলোৱে শ্ৰদ্ধা কৰিব লাগিব। অৱহেলা আৰু অনিহা কৰিলে আমাৰ গৌৰৱময় অনুপ্ৰেৰণা লাভৰ ব্যৰ্থতা বুলি পৰিগণিত হ'ব। মৈদাম অঞ্চল পবিত্ৰ তীৰ্থস্থান, সকলোৱে ইয়াক সংৰক্ষণ কৰাতো কৰ্ত্তব্য। আজি অসমীয়াই চৰাইদেউক পাহৰিছে। এই পাহৰণিতে যে নিজৰ গুৰিও পাহৰিছে, তালৈ ভ্ৰুক্ষেপ কৰা নাই।

পুৰণি কীৰ্তিচিহ্ন সংৰক্ষিত আইনৰ দ্বাৰা শিৱসাগৰ আৰু ইয়াৰ কাষৰ অঞ্চলৰ কীৰ্তিচিহ্নবোৰ কিছু পৰিমাণে সংৰক্ষিত হৈছে যদিও এইবোৰৰ অৱস্থা বৰ্তমানো বিশেষ এটা ভাল নহয়। যদিহে এই ঐতিহাসিক স্মৃতি চিহ্নবোৰৰ উচিত ধৰণে সংৰক্ষণ কৰি পৰ্যটকৰ আকৰ্ষণীয় কেন্দ্ৰ কৰিব পৰা যায়, তেন্তে এফালে অঞ্চলটোত পৰ্যটনৰ ক্ষেত্ৰ বৃদ্ধি পাব আৰু আনফালে, তেনে বৃদ্ধিয়ে মানুহৰ জীৱনলৈ কঢ়িয়াই আনিব অৰ্থনৈতিক আৰু সামাজিক পৰিৱৰ্তন। ০০০





# আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য্য আৰু ইয়াৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা

**অনু সোনোৱাল**
স্নাতক তৃতীয় বৰ্ষ (কলা)
ইতিহাস বিভাগ

ইতিহাসে এনে কিছুমান স্থাপত্য-ভাস্কৰ্য্যৰ চিন যুগ-যুগান্তৰ ধৰি কঢ়িয়াই আনিছে যিবিলাকৰ আগত উত্তৰ পুৰুষৰ উন্নত কলা-কৌশলো নিষ্প্ৰভ হৈ পৰিবলগীয়া হৈছে। এই স্থাপত্য-ভাস্কৰ্য্যবিলাকে সেই যুগৰ উন্নত চিন্তাধাৰা কলা-কৌশল আৰু প্ৰযুক্তিক প্ৰতিনিধিত্ব কৰে যিবিলাক আজিৰ উন্নতিৰ শিখৰত আৰোহণ কৰা সভ্যতাৰ বাবে এক বিস্ময়। অসমৰ স্থাপত্য আৰু ভাস্কৰ্য্যৰ ক্ষেত্ৰত আহোমসকলৰ অৱদান উল্লেখযোগ্য। ছশ বছৰীয়া ৰাজত্বকালত আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত উচ্চখাপৰ স্থাপত্য আৰু ভাস্কৰ্য্য শিল্পৰ বহু সংখ্যক দৌল-দেৱালয় আদি নিৰ্মাণ কৰা হৈছিল। বৰ্তমান অসমত পোৱা অধিকাংশ ভাস্কৰ্য্য আৰু স্থাপত্য আহোম যুগৰ সৃষ্টি। দৌল দেৱালয়, ৰাজ-অট্টালিকা আৰু শিলৰ সাকোঁ— এই তিনিটা ভাগত আহোম যুগৰ স্থাপত্যসমূহক ভাগ কৰিব পাৰি।

শিৱসাগৰ নগৰৰ পৰা ১৪ কি.মি. পশ্চিমত নামদাং নৈৰ ওপৰত এখন শিলৰ সাঁকো সজা হৈছিল। এই প্ৰাচীন শিলৰ সাঁকোখনৰ ওপৰেদি বৰ্তমান ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথটো পাৰ হৈ গৈছে। এই সাকোঁখন দীঘলে প্ৰায় ৬১.৬ মিটাৰ, বহলে ৬.৫৫ মিটাৰ আৰু ১.৬৭ মিটাৰ ডাঠ। এই শিলৰ সাকোঁখনৰ ওপৰভাগত ফুল-লতা আৰু দুয়োফালে কেইবাটাও অনুপম মূৰ্ত্তিৰ ভাস্কৰ্য শিলত কাটি থোৱা আছে। ইয়াৰে দুই এটা মূৰ্ত্তি ভাগি-চিগি গৈছে যদিও কেইটামান এতিয়াও অক্ষত অৱস্থাত আছে। অতীতৰ আহোমৰ দিনত নিৰ্মিত এই সাকোঁখনত বিশেষ কোনো মেৰামতি নকৰাকৈয়ে বা নতুনকৈ খুঁটা আদি নিদিয়াকৈ এতিয়াও অতিশয় শক্তিশালী অৱস্থাতে ৰাষ্ট্ৰীয় ঘাইপথেৰে যাতায়াত কৰাৰ গধুৰ বোজাৰ যান-বাহনৰ ভাৰ বহন কৰি অতীতৰ সোণোৱালী দিনবোৰৰ অসমীয়া লোকসকলৰ কাৰ্যদক্ষতাৰ গৌৰৱময় প্ৰতীক হিচাপে থিয় দি আছে। ড০ লীলা গগৈয়ে 'টাই সংস্কৃতিৰ ৰূপৰেখা'ত লিখিছে — দৌল-দেৱালয় আৰু ৰাজ-অট্টালিকাৰ উপৰিও আহোম যুগৰ স্থাপত্য বিদ্যাৰ চানেকী হিচাপে কেইখনমান শিলৰ সাঁকো এতিয়াও বঢ়িয়া হৈ আছে। তাৰে ভিতৰত নামদাং নৈৰ ওপৰত স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ দিনৰ নিৰ্মাণ কৰা শিলা সাকোঁখন অতি উৎকৃষ্ট। আহোম যুগত দহখন শিলা-সাঁকো নিৰ্মাণ কৰাৰ কথা বুৰঞ্জীত পোৱা যায়, কিন্তু এতিয়া নামডাঙৰ

শিলা সাঁকো, দৰিকাৰ শিলা সাঁকো, আৰু দিজৈৰ শিলা সাকোঁ মাথো ভাল হৈ আছে। ডিমৌৰ শিলা সাঁকো, ৰহদৈ শিলা-সাকোঁ নাফুকৰ শিলা সাঁকো আদি ধ্বংসস্তূপত পৰিণত হ'ল। নামডাং নৈৰ ওপৰত থকা শিলৰ সাকোঁখন এটি বিৰাট শিলত সুৰঙ্গ কাটি তৈয়াৰ কৰা হৈছে বুলি অনুমান কৰা হৈছে। শিলটোৰ গাত কেইবাটাও মূৰ্ত্তি আছে।

অসমৰ গৌৰৱোজ্বল ইতিহাসত ৰাজনীতি, সমাজনীতি, সাহিত্য-সংস্কৃতি স্থাপত্য-ভাস্কৰ্য আদিত এক সু-মহান যুগৰ শ্ৰেষ্ঠ আহোম স্বৰ্গদেউসকলৰ ভিতৰত অন্যতম শিৱসিংহৰ ৰাজত্বকালত পুৰণি ৰংপুৰ আৰু বৰ্তমানৰ শিৱসাগৰ নগৰৰ পশ্চিমে ১২ কিমি নিলগৰ আহোম যুগৰ নানা প্ৰত্নতত্ত্ব আৰু স্থাপত্যবিদ্যাৰ স্মৃতিৰ স্বাক্ষৰ বহনকাৰী ঠাই 'গৌৰীসাগৰ'। ৩৭ নং ৰাষ্ট্ৰীয় পথৰ কাষতে গৌৰীসাগৰ নামেৰে এটা ডাঙৰ পুখুৰীৰ পাৰত তিনিটা দৌল মন্দিৰ আছে। গৌৰীসাগৰ পুখুৰীৰ উত্তৰ পাৰত অৱস্থিত এই তিনিটা দ'লৰ পূবৰটো দেৱী দৌল, মাজৰটো শিৱদৌল আৰু পশ্চিমৰটো বিষ্ণুদৌল। ৰাণী ফুলেশ্বৰীয়ে নিৰ্মাণ কৰা গৌৰীসাগৰৰ এই দৌলকেইটা শিৱসাগৰৰ পুখুৰীৰ পাৰত পিছত নিৰ্মাণ কৰা দৌলকেইটাৰ দৰে প্ৰায় একে। পিছে ইয়াৰ দৌলকেইটা তুলনামূলকভাৱে আকাৰত সৰু। ইয়াৰে শিৱদৌল আৰু বিষ্ণুদৌল দুটা সম্পূৰ্ণৰূপে ইটাৰে সজা; দেৱীদৌলৰ কিছু অংশ ইটা আৰু আন অংশ শিলেৰে সজা। দৌলৰ এই শিলৰ তলৰ অংশটো নানা মনোমোহা ভাস্কৰ্যৰে সৰ্জিত।

''জয়সাগৰ''। সতী জয়মতীৰ আত্মত্যাগৰ কথা সোঁৱৰোৱা জয়সাগৰ। সতী জয়মতীৰ বৰপুত্ৰ লাই অৰ্থাৎ ৰুদ্ৰসিংহ স্বৰ্গদেৱে মাকৰ পবিত্ৰ স্মৃতি ৰক্ষা কৰিবৰ নিমিত্তে জেৰেঙা পথাৰত জয়সাগৰ পুখুৰী খন্দায়। আহোম যুগত খন্দা পুখুৰীবোৰৰ ভিতৰত এইটোৱে আটাইতকৈ ডাঙৰ পুখুৰী। জয়সাগৰ পুখুৰীৰ পাৰত থকা জয়দৌল, শিৱদৌল, দেৱীদৌল আৰু ঘনশ্যামৰ দৌল আবাস ১৬৯৮ খ্ৰীঃত সজোৱা। জয়দৌলটোৰ আন এটা নাম কেশৱৰায় বিষ্ণুদৌল। মন্দিৰটোত গৰ্ভ-গৃহ, অন্তৰাল আৰু দুটা মণ্ডপ আছে। মন্দিৰৰ গোলাকাৰ টুপটো বহুতো সিৰাই দীঘে-পথালিয়ে কটা-কটি কৰি কৰা বৰ্গাক্ষেত্ৰাকাৰ নক্সাৰে সৰ্জিত। মণ্ডপ আৰু অন্তৰালটো অসমীয়া দুচলীয়া গঠনৰ মন্দিৰৰ বাহিৰৰ গাটোত নানা দেৱ-দেৱীৰ ভাস্কৰ্য্য লগোৱা আছে। জয়সাগৰ পুখুৰীৰ পশ্চিম পাৰত ঘনশ্যামৰ দৌল নামেৰে আন এটা দৌল আছে। ইটাৰে সজা দৌলটোৰ গাত অতিশয় উচ্চ মানদণ্ডৰ কলাসুলভ কাৰুকাৰ্য লগোৱা আছে। এই আয়তক্ষেত্ৰাকাৰ মন্দিৰটোৰ বাহিৰৰ গাত পোৰা মাটিৰ দশাৱতাৰ, মহিষমৰ্দ্দিনী, বাঁহী বজাই থকা কৃষ্ণ, বান্দৰ আৰু ফুল আদিৰ ভাস্কৰ্য আছে।

'ৰঙৰ সফুঁৰা' ৰংপুৰ আছিল প্ৰাচীন আহোম ৰাজ্যৰ ৰাজধানী। বৰ্তমান ৰংপুৰ নগৰত দেখিবলৈ পোৱা এটি উল্লেখযোগ্য ভগ্নাৱশেষ হ'ল স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই নিৰ্মাণ কৰা পকী তলাতল ঘৰ। তলাতল ঘৰৰ কাষত থকা 'সোণতলা' পুখুৰীলৈ জয়সাগৰ






পুখুৰীৰ পৰা পানী আনিবলৈ এটা পকী নলীৰ ব্যৱস্থা আছিল। ঘৰ আৰু মন্দিৰবোৰৰ ভেটিত গুটীয়া শিল আৰু গাঁথনি কৰিবলৈ চটীয়া শিল শিলাকুটিসকলে ব্যৱহাৰ কৰিছিল। গাঁথি থোৱা শিলবোৰক দেৱ-দেৱী, জীৱ-জন্তু, গছ-লতা আদিৰ মনোমোহা ভাস্কৰ্য্যৰে জীৱন্ত যেন কৰি তুলিছিল। পোৰামাটিৰ ভাস্কৰ্যৰ লগতে কৰালেৰেও দৌল-দেৱালয় আৰু ঘৰ-দুৱাৰৰ বেৰত দেৱ-দেৱী, ৰজা, ডা-ডাঙৰীয়া আদিৰ বিভিন্ন মূৰ্তি আৰু গছ-লতা, জীৱ-জন্তু আদিৰ চিত্ৰ গঢ় দি তুলিছিল।

তলাতল ঘৰৰ পৰা ন-দুৱাৰে কিছু দূৰ আগুৱাই আহি মূল পথত উঠাৰ পিছত পুৰণি ৰংপুৰৰ ৰং-ধেমালিৰ কেন্দ্ৰ 'ৰংঘৰ' দেখিবলৈ পোৱা যায়। এই দুমহলীয়া হাঁহকণীৰ আকৃতিৰ ঘৰটো ১৭৪৬ খ্ৰীঃত আহোম স্বৰ্গদেউ প্ৰমত্ত সিংহই নিৰ্মাণ কৰিছিল। ৰংপুৰৰ ৰংঘৰ অসমীয়া শিলাকুটি, বাঢ়ৈ আৰু খনিকৰৰ সুনিপুণ হাতৰ পৰশত গঢ় লৈ উঠা উচ্চ খাপৰ স্থাপত্য শিল্প আৰু আহোম যুগত অসমীয়াৰ স্বকীয় স্থাপত্য ৰীতিৰ নিদৰ্শন। ৰংঘৰৰ ছালখন পুৰণি দুটুপীয়া আৰ্হিৰ। ঘৰটোৰ উত্তৰ আৰু দক্ষিণফালে দুটা আনকেইটা ফালতকৈ বেছি দীঘল। ঘৰটোৰ পশ্চিমফালে তলৰ পৰা ওপৰৰ মহলালৈ যাব পৰা খটখটী আছে। ৰংঘৰৰ মুধচৰ কেন্দ্ৰ ভাগত তিনিটা সৰু আকৃতিৰ চূড়া আৰু পূব আৰু পশ্চিম দিশলৈ মূৰ কৰি থকা দুটা ঘঁৰিয়ালৰ মূৰ আছে। এই ধৰণৰ আকৃতিৰ ঘৰ অসমৰ স্থাপত্য শিল্পৰ এক নতুনত্ব আৰু আন কতো পোৱা নাযায়।

*গড়গাওঁ, গড়গাওঁ*
*কথা শুনি তল যাওঁ*
*বাট দেখি পিচলে যে পাওঁ.....*

(বিনন্দ চন্দ্ৰ বৰুৱা)

গড়গাওঁ কবিতাৰ মাজেৰে কবিয়ে ৰূপ বখানিব খোজা গড়গাঁও আহোম শাসনকালৰ গৌৰৱোজ্বল ইতিহাসৰ কেন্দ্ৰ বিন্দু। এই মনোমোহা গড়গাওঁ বহু বছৰ ধৰি আহোম ৰজাসকলৰ ৰাজধানী আছিল আৰু ইয়াৰ পৰাই স্বৰ্গদেউসকলে বিশাল আহোম ৰাজ্যৰ শাসনকাৰ্য সুচাৰুৰূপে পৰিচালনা কৰিছিল। গড়গাঁৱত থকা কাৰেং ঘৰটো সাত মহলাৰ। গড়গাঁৱত ৰাজধানী থকাৰ সময়ত ৰজাৰ বাসস্থান কাৰেংঘৰটো এটা কাঠ-বাঁহৰ প্ৰকাণ্ড দুমহলীয়া চাংঘৰহে আছিল, যাক "হোলোং" ঘৰ বুলি কোৱা হৈছিল। এই হোলোং ঘৰটোৰ ডাঙৰ ডাঙৰ খুঁটাবোৰত, বেৰ আৰু দুৱাৰবিলাকত ৰত্নমণি খচিত কৰি অপূৰ্ব সুন্দৰ কাৰু-কাৰ্য খোদিত কৰি সুশোভিত কৰা হৈছিল। গড়গাঁৱৰ অতীতৰ কীৰ্তিচিহ্নবোৰ প্ৰায় লোপ পালে যদিও কাৰেংঘৰ আদিয়ে এতিয়াও অসমৰ অতীতৰ সেই সোণোৱালী দিনবোৰৰ কথা সোঁৱৰায়।

অসমত আহোম যুগৰ গৌৰৱময় শাসনকালত নিৰ্মাণ কৰা মন্দিৰবোৰৰ ভিতৰত সুবৃহৎ শিৱসাগৰ পাৰত অৱস্থিত দৌলকেইটা সবাতোকৈ প্ৰসিদ্ধ। শিৱসাগৰ পুখুৰীৰ পাৰত অৱস্থিত দৌলকেইটাৰ ভিতৰত শিৱদৌলটোৱেই আটাইতকৈ ওখ আৰু ডাঙৰ। দৌলৰ ওপৰত থকা সোণৰ কলচিটো ১৯৪৭ চনত হোৱা ভূমিকম্পত সৰি পৰে আৰু ১৯৫৪ চনতহে

মেৰামতি কৰি পুনৰ স্থাপিত কৰা হয়। ১৯৫০ চনৰ ভূমিকম্পতো মন্দিৰৰ গাত থকা ভাস্কৰ্যবোৰৰ যথেষ্ট ক্ষতি সাধন হয়।

গুৱাহাটী মহানগৰীৰ কাছাৰীঘাটৰ পৰা মাৰ নাৱত ব্ৰহ্মপুত্ৰৰ পানী খেলি থকা এটি উত্তেজনাপূৰ্ণ উমানন্দ দ'লৰ ইতিহাস অতি প্ৰাচীন। এই উমানন্দৰ আশে-পাশে পুৰাতাত্ত্বিক ভাস্কৰ্যৰ চিন পোৱা যায় আৰু দ্বীপ লুইতৰ বুকুৰ ওচৰতে আছে– উৰ্বশী আৰু কৰ্মনাশা। উৰ্বশী দ্বীপৰ মূৰ্তিসমূহৰ ভিতৰত আছে যোগাসনস্থ ভূমিস্পৰ্শ মুদ্ৰাযুক্ত মূৰ্তি এটা, যিটো সম্ভৱতঃ বুদ্ধমূৰ্তি। ইয়াত পোৱা শিলৰ মূৰ্তি অৱশেষবোৰৰ পৰা এইবোৰ ১০ম শতিকামানৰ হ'ব বুলি ঠাৱৰ কৰা হৈছে।

গুৱাহাটীৰ পাণবজাৰৰ ওচৰত ব্ৰহ্মপুত্ৰৰ পাৰত শুক্ৰেশ্বৰ পাহাৰত শুক্ৰেশ্বৰ মন্দিৰ আৰু জনাৰ্দন দেৱালয় অৱস্থিত। এই মন্দিৰ আহোম ৰজা প্ৰমত্ত সিংহই ১৬৬৬ শকাব্দ (ইংৰাজী ১৭৪৪ চন)ত সজোৱা। শুক্ৰেশ্বৰ মন্দিৰৰ পশ্চিমে জনাৰ্দন দেৱালয়টো অৱস্থিত। এই জনাৰ্দন দেৱালয় বিগ্ৰহৰ চতুৰ্ভূজত শংখ, চক্ৰ, গদা, পদ্মধাৰী বিষ্ণু জনাৰ্দনৰ এখনি সুন্দৰ শিলৰ মূৰ্তি, এই জনাৰ্দন দেৱালয় আৰু শুক্ৰেশ্বৰ মন্দিৰ দুয়োটা ইটাৰে সজা আৰু একে ধৰণৰ স্থাপত্য। এই দেৱালয়ৰ গাত ভালেমান ভগৱান বিষ্ণুৰ দশাৱতাৰৰ শিলৰ মূৰ্তি খোদিত আছে।

এতিয়া প্ৰশ্ন হয়, এই আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যবোৰ কিয় আৰু কেনেদৰে সংৰক্ষণ কৰা উচিত ? পৰ্যটন উদ্যোগৰ প্ৰচুৰ সম্ভাৱনীয়তাৰে সমৃদ্ধ ঐতিহাসিক আহোম যুগৰ কীৰ্তিচিহ্নসমূহৰ সৌন্দৰ্যবৰ্ধন কৰি পৰ্যটক কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ যথেষ্ট থল আছে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত উজনি-নামনি অসমৰ সংযোগকাৰী সাঁকো হিচাপে এতিয়াও নিতৌ অসংখ্য যান-বাহন অহা-যোৱা কৰা নামদাঙৰ শিলৰ সাকোঁৰ উপযুক্ত সংৰক্ষণ নোহোৱাত ইতিমধ্যে কেইবাবাৰো মটৰ গাড়ীৰ খুন্দাত সাকোঁৰ ধেনুভিৰীয়া অংশ ভাগি যোৱাৰ বাবে পিছত মেৰামতি কৰিবলগীয়া হৈছিল। এই বহুমূল্যৱান সম্পদটি সংৰক্ষণৰ স্বাৰ্থত বিকল্প দলং নিৰ্মাণৰ ব্যৱস্থা কৰা উচিত। তদুপৰি গৌৰীসাগৰৰ তিনিটা দৌল, পুখুৰীৰ উপযুক্ত সংৰক্ষণ আৰু সৌন্দৰ্য্যবৰ্ধনৰ জৰিয়তে অঞ্চলটোত পৰ্যটন উদ্যোগ গঢ়ি অঞ্চলটোৰ অৰ্থনৈতিক বিকাশৰ প্ৰচেষ্টা চলাব পৰা যায় যদিও সংশ্লিষ্ট বিভাগ তথা চৰকাৰে এই কীৰ্তি চিহ্ন বিলাক কাৰ্যকৰী কৰা নাই। আহোম যুগৰ স্থাপত্য ভাস্কৰ্য্য, প্ৰত্নতাত্ত্বিক, জলবিজ্ঞান, অভিযান্ত্ৰিক আদি দিশৰ উৎকৃষ্টতাৰ স্বাক্ষৰ বহন কৰা এই কীৰ্তিচিহ্নবিলাক আজিৰ এই অৱস্থাৰ দৰে অৱহেলিত হৈ থাকিলে পুনৰ ইতিহাসৰ বা-মৰলীত মূল্যৱান সম্পদসমূহ নিঃশেষ হৈ যোৱাৰ পূৰ্ণ আশংকা আছে। ০০





# বুৰঞ্জীৰ দৃষ্টিকোণত 'জয়পুৰ'

**পুলক গগৈ**

স্নাতক ১ম বৰ্ষ (কলা শাখা)

ইতিহাস বিভাগ

'জয়পুৰ' কেনে লাগে বাৰু নামটোত শুনি ? কেনে অনুভূতি হয় বাৰু আপোনাৰ মনত ? হয়তো আপুনি চাগে ভাৱে জয়পুৰত চৌদিশে কেৱল জয়েই নেকি, তাত কেৱল জয়েৰেই পুৰ নেকি ? নে আপুনি ভাবে ৰাম, ৰহিম আদিৰ দৰে ইও এটি নামহে। কিন্তু ই মানুহৰ নাম নহয় এডোখৰ ঠাইৰ নাম আৰু। পুৰণি কালত কোনো জ্যোতিষিয়ে পঞ্জিকাৰ দেৱাল গণি এই ঠাইডোখৰৰ নাম জয়পুৰ ৰাখিলে। কিন্তু গভীৰ দৃষ্টি কোণত আমি গভীৰ হৈ বুৰঞ্জীৰ পাত লুটিয়ালে দেখা যায় যে, অসম বুৰঞ্জীত নিজৰ স্থান নিৰূপণ কৰা এই জয়পুৰ অঞ্চলটো ইতিহাসে পৰশা এডোখৰ ঠাই। এই ঠাইতে মান আৰু ব্ৰিটিছৰ মাজত হোৱা যুদ্ধখনৰ অন্ত পৰিছিল।

অসম অৰুণাচল সীমান্তত তথা বুঢ়িদিহিং নদীৰ দক্ষিণ পশ্চিম অঞ্চলত অৱস্থিত এই জয়পুৰ নামৰ ঠাইখন। এই ঠাইখনৰ উত্তৰ পূব দিশত আছে অসমৰ এখন উল্লেখযোগ্য বনাঞ্চল "জয়দিহিং" য'ত এতিয়াও প্ৰায় ৮টা প্ৰজাতিৰ হলৌ বান্দৰ পোৱা যায়। পশ্চিম দিশত আছে অসমৰ এখন তৈলনগৰী ক্ষেত্ৰ নাহৰকটীয়া আৰু দক্ষিণ দিশত আছে নামৰূপ। এই ঠাইখনৰ নাম 'জয়পুৰ' উৎপত্তিৰ সম্বন্ধে কিছু বুৰঞ্জীয়ে কিছু দিশত মাত মাতি আহিছে যদিও এই ঠাইৰ সম্পৰ্কে মৌখিক প্ৰবাদহে বেছি পৰিমাণে পোৱা যায়।

ঐতিহাসিক প্ৰবাদ অনুসৰি জয়পুৰৰ পুৰণি নাম আছিল দীঘলীঘাট। ইয়াৰ পৰা প্ৰায় এবেলাৰ বাট নাৱেৰে উজাই গলে সীতাকুণ্ডৰ কিছু দূৰতে পায় কানাই বৰশী বোৱা শীল। যিয়ে অসম বুৰঞ্জীক পুৰণি আৰু মধ্য এই দুটা ভাগত ভাগ কৰিছে।

১৮১৭ চনৰ পৰা আৰম্ভ কৰি ব্ৰহ্মদেশীয় মান সেনাই এই জয়পুৰ তিপামেদিয়েই আহি তিনিবাৰকৈ অসম আক্ৰমণ কৰিছিল। যি আক্ৰমণক অসম বুৰঞ্জীত 'মানৰ দিন' ৰূপে বৰ্ণনা দিয়া হৈছে। অসম বুৰঞ্জীৰ বিভিন্ন ঘটনা সমূহৰ ভিতৰত আটাইতকৈ নৃশংস ঘটনা আছিল এই মানৰ আক্ৰমণেই। যি ইতিহাসৰ পৃষ্ঠাত চকু ফুৰালে আজিও প্ৰতিজন পাঠকৰ গাৰ-নোম শিয়ৰি উঠে। সেই সময়ৰ আক্ৰমণত আহোম ৰাজ্যৰ চৰম শিঙৰ পৰা আদি কৰি বুঢ়া-বুঢ়ীলৈকে কোনেও হাত সাৰিব পৰা নাছিল। সেইবাবেই অসম বুৰঞ্জীত এইটো আজিও এটা দুখলগা কলঙ্কিত অধ্যায়। ১৮১৯

খ্ৰীঃৰ মানৰ দ্বিতীয় অসম আক্ৰমণৰ পাছত মান সেনাপতি আলমিঙ্গিয়ে প্ৰায় দুই হাজাৰ মান সৈন্য অসমতে এৰি থৈ ব্ৰহ্মদেশলৈ উভতি যায়। আৰু চন্দ্ৰকান্ত সিংহক মানৰ কৰতলীয়া ৰজা পাতে। কিন্তু মানৰ নৃশংস অত্যাচাৰত অতিষ্ঠ হোৱা আহোম স্বৰ্গদেৱে মানসকলক দমন কৰিবৰ অৰ্থে কিছু কূটনীতিৰ আশ্ৰয়ৰ প্ৰাৰ্থিত্ব গ্ৰহণ কৰিব বিচাৰে। আৰু তেওঁ কলিবৰ বুঢ়াগোঁহাইৰ সৈতে আলোচনা কৰি অসমৰ মান অহা বাটত তথা দিঘলীঘাটত, বৰ্তমান জয়পুৰ অঞ্চলেদি যাতে ভবিষ্যতে মান অসমলৈ আহিব নোৱাৰে তাৰ বাবে তাত একোটি গড় বন্ধোৱাৰ সিদ্ধান্ত লয়। আৰু সেই সিদ্ধান্তৰ প্ৰেক্ষাপতত গড় বন্ধোৱাৰ দায়িত্ব দিয়া হয় পাতল বৰবৰুৱাক। নিজৰ কৰ্তব্যৰ খাতিৰত তেওঁ দিঘলীঘাট অঞ্চলত এই গড়টো বন্ধোৱাৰ কাম মানৰ অজ্ঞাতে লাহে লাহে আৰম্ভ কৰে। কিন্তু সুচতুৰ মানৰ তেতিয়া ৰজা বগ্যীদোৱাৰ আগত তেওঁলোকে ফাঁকি দিব নোৱাৰিলে। আৰু ১৮২১ চনৰ ফেব্ৰুৱাৰী মাহত কেইজনমান মান সেনাই মিছা প্ৰৰোচনা কৰি এই গড়বন্ধোৱা ঠাইতে গৰিলাৰ দৰে অতৰ্কিতে আক্ৰমণ কৰি পতাল বৰবৰুৱাক হত্যা কৰে আৰু সূচনা হয় মানৰ তৃতীয় আক্ৰমণ। লগে লগে আধৰুৱা হৈ পৰে মানক বাধা দিবৰ বাবে তৈয়াৰ কৰা এই গড়টো। কিন্তু যি কি নহওক নিজৰ স্বদেশৰ হকে কাম কৰিবলৈ আগবাঢ়ি অহা এই পতাল বৰবৰুৱাৰ স্মৃতি সজীৱিত ৰাখিবৰ উদ্দেশ্যেই এই গড়টোৰ নাম হৈ পৰিল "পতাল বৰবৰুৱাৰ গড়"।

ইতিমধ্যে মানৰ প্ৰবল আক্ৰমণত আহোম ৰাজ্যখন প্ৰায়ে ভাঙি পৰিছিল। অৰ্থনৈতিক দিশকে আদি কৰি সামৰিক শক্তিলৈকে আহোম ৰাজ্যখন প্ৰায়ে জুৰুলা হৈ পৰিছিল। শেষত সমসাময়িক আহোম ৰজা চন্দ্ৰকান্ত সিংহই মান নাযাবৰ উপক্ৰমত প্ৰায় উপায়ন্তৰ হৈ ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা সাহাৰ্য্য বিচাৰিলে। প্ৰথমাবস্থাত ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ সাহাৰ্য্যৰ নিমিত্তে অলপ থেৰুগেৰু কৰিছিল যদিও পাছলৈ আহোম ৰজাক সহায়ৰ হাত আগবঢ়াবলৈ মান্তি হ'ল। আৰু লগে লগেই আহোম সৈন্যই ব্ৰিটিছৰ সাহায্যত অসমৰ পৰা মান খেদোৱাৰ অভিমান আৰম্ভ কৰিলে। আহোম আৰু ব্ৰিটিছৰ সন্মিলিত সৈন্য বাহিনীৰ আগত মান সেনাই বেছি সময় তিষ্ঠি থাকিব নোৱাৰিলে। আৰু ১৮২৬ খ্ৰীঃত আহোম ব্ৰিটিছ সৈন্যই বৰ্তমান জয়পুৰৰ সংলগ্ন বালিমৰা অঞ্চলত এটা বগা ম'হ বলি দি দীঘলিঘাট অঞ্চলেদি মানক খেদি নি অসমৰ পৰা সম্পূৰ্ণ উচ্চেদ কৰিলে আৰু ১৯১৯ চনত আধৰুৱা হৈ ৰোৱা পাতাল বৰবৰুৱাৰ গড়টোক সম্পূৰ্ণৰূপে নিৰ্মাণ কৰি আহোম বাহিনীৰ জয় বুলি এই দীঘলীঘাট অঞ্চলতেই ঘোষণা কৰে আৰু তেতিয়াৰ পৰাই এই ঠাইখনৰ নাম দীঘলীঘাট গুছি হয় 'জয়পুৰ' অৰ্থাৎ ভয়ৰ বাবে ভয় নাই। ০০০





# A RENOWNED ASSAMESE HISTORIAN DR. LILA GOGOI : LIFE AND HIS ACHIEVEMENTS

**Bhupen Saikia**
Senior Lecturer
Duliajan College, Duliajan

Dr. Lila Gogoi was a renowned figure in the Assamese Literature. He will always be dazzled in the History of Assamese literature with his fame. He was a Historian, Poet, Litterateur, Lyricist, Research Scholar of Folklore, Novelist, Folk Litterateur, Humourist, Journalist, who became the President of Dibrugarh District Sahitya Sabha and later on became the President of Assam Sahitya Sabha for its Annual Conference held at Marigaon. During the tenure of the later post he died in 23rd July, 1994.

Dr. Gogoi was born in a Historical family, known as Lebang Hatimuria family that came with Sukakpha, the founder of the Ahom Dynasty in Assam. His place of birth was Cherekapar, a village situated on the Bank of river Dikhow under Hanh Chara Mauza in the District of Sivasagar on 25th Nov., 1930 A.D. His father was Late Dhaniram Gogoi and Kamala Gogoi was his mother. At the very early stage of his life his name was Nilakanta which was changed to Lila kanta Gogoi when he get admitted in his local primary school. During the stint as the Sivasagar correspondence of **'Natun Asomiya'**, a weekly paper published from Guwahati the middle **'Kanta'** of his name was dropped and he came to be known as Lila Gogoi, with this name he became popular and famous in his later life.

He was a man of extraordinary character from his very childhood. He did not lose his time and energy by playing **'Tangguti'** ; **'Ghila'** etc. or did not like to gossip with his friends. In his childhood, he regularly went to his school and at other times he helped his father in his domestic works. Catching fish, taking care of their domestic animals and plantation etc. were his regular activities of his early life.

In the year of 1935 he began his elementary education in his local primary school and passed the M.V final examination securing First Division with Advance Mathematics and Advanced Assamese from Sibsagar M.V. School in 1943. In 1950 he passed the H.S.L.C. Examination in First Division securing letter marks in Sanskrit. In the mean time he was appointed as a Teacher in the Sibsagar Town High School and at the same time he got admitted in the I. A. Course in the Sibsagar College in the morning section. From this college he passed I.A. in the year of 1953 and in 1958 he secured B.A. Degree as a private candidate. He also secured Master of Arts Degree from the same university in Assamese Literature in 1962. In 1982 he got Ph.D Degree in the subject 'The Buranjis : Historical Literature of Assam.'

In comparison to those who had offered special contribution to the historical literature of Assam, such as Haliram Dhekial Phukan, Gunabhiram Boruah, Dr. S.K. Bhuyan, Hiteswar Bar Baruah, Benudhar Sharmah, Sarbananda Rajkonwar, Heramba Kanta Borpuzari, the contributions of Dr. Lila Gogoi are not very few. The Tung Khungia Buranji a History of later period of the Ahom dynasty which was lying in an almirah of Sibsagar Reading Club made him interested in the study of History. Of Course, he had earlier studied before the old historical documents available in his home. Actually, his interest in the study of History grew in him at his very early life. His two popular Historical articles namely 'Fakorai Buranji koi' (Maxim tells us History) and 'Buranjiye Fokora Koi (History tells us maxim) were published in the **'Natun Asamiya'** a weekly paper which was published from Guwahati.

In 1954, he as appointed as a Research Scholar of Guwahati History and Antiquirian Society and in 1956 as research scholar of Folklore and Tribal Cultural Department of Guwahati University. During this time he came into contact with one of the great Historians Dr. S.K. Bhuyan from whom he got tremendous inspiration for the study of History.

He travelled almost every nook and corner of Assam and collected many historical documents and articles on them were published in Magazines and different papers in the last four decades. He redeemed the 'History of Atan Buragohain' from a historical family near Gargaon, the







capital city of the Ahom Kingdom. Not only that, he also recovered various old scripts of the History of Ahom age.

His important historical contributions were **'Buranji Sahitya'**, **'Sarai Ghator Judha'**, **'Herua Dinar Katha'**, **'Buranjiye Parasha Nagar'**, **'Beli Mar Gol'**, **'Buranjir Rup Rekha'**, **'Buranjiye Katha Koi'** which were written in Assamese. 'The system of Ahom Administration', 'Buranjis : Historical literature of Assam and the Tai Khamtis of North East India' are his remarkable of works in English.

Though he began his literacy life by writing poems, his early popularity was for his works for children's **'Khora Siyalor Biya'**, a work for children became extremely popular. His other books for children are **'Lachit Borphukan'**, **'Joymoti Kuwari** and **Mulagabharu'**, **'Suntara'**, **'Punakanar Sapun'**, **'Anupam Knowarar Sadhu'**, **'Bharatar Katha'**, **'Rong manar Katha'**. **'Rongmanar Katha'** got a prize from the Govt. of India. Another book **'Simantat Mati Aru Manuh'** brought him a prize from UNESCO in 1965. For two terms in 1949-50 and 1950-51 continuously he shouldered the secretaryship of the Sibsagar College Magazine 'Sarai'. He was closely associated with **'Deepok'**, a Magazine for children published from Guwahati.

As a research scholar of Folklore, Dr. Gogoi published a number of books, his **Assamar Sanskriti** brought him 'Sita Nath Brahma Chaudhuri' award from Assam Sahitya Sabha. His other cultural books are**'Sahitya Sanskriti Buranji'**, **'Tai Sanskritir Rup Rekha'**, **'Bihu Eti Samikhya'** **'Ahomjati** and **Assamiya Sanskriti'** **'Asamiya Lok Shityar Rup-Rekha'**, **'Moniram Dewanar Geet'** **'Bihu geet Aru Bon Ghosa'**, **'Junbai ei Eti Tara Diya'**, etc.

As a lyricist Dr. Gogoi has a reputation. His songs touch the hearts of the listeners. His **'Geeti Malanch'**, **'Sunali'**, **'Junakar Geet'**, **'Jiri Jiri Subansiri'**, are four unique contributions to the Assamese lyrical treasury.

Dr. Gogoi, was also a highly popular Novelist in Assamese literature, **'Kapling Chiga Reli'**, **Bikhekh Ki Likhim'**, **'Gher-Gheri Bus'**, **'Mukali Chithi'**, **'Hahi Aru Bahi'**, etc. are humorous works, the thrill of which cannot be forgetten by the readers. As a successful Novelist Dr. Gogoi, will linger long in the heart of the readers for his extraordinary Novel **'Nai Boi Jai'**. His others novels

are **'Saragar Mukuta'**, **'Nila Khamar Chithi'**, **'Dakait Kon'**, etc. His **'Bonga Loka Kristi'**, is a translated book published in 1983. **'Chintar Sakhyar'** and **'Sahitya Dutiman Aluchana'** are two remarkable collections of essays. He also jointly published some books with different writers at different times. Dr. Namita Deka and Dr. Hemanta Kumar Boruah got Ph.D. Degree under his guidance.

He was a successful Journalist who began his journalist life in **'Janambhumi'** a weekly published from Jorhat. For investigative reporting he visited the places on foot or by bicycle. He had a separate column in the paper which was known as **'Nyai Sudha Phukonar Chara'** where he published writings on the socio-economic problems and public demands, was very popular at that time. From 1952 to 1965 he was a reporter of Sibsagar for **'Natun Asamiya'**. He also had to perform the editorial works in this paper in 1956. He was invited to join in the editorial board of **'Dainik Assam'** a daily paper published from Guwahati at that time but due to unavoidable reason he did not join.

From his student days he devoted himself in Art, Culture Literature and History of Assam along with various social works. In 1956 he was a executive member of Assam Sahitya Sabha. After this in 1978-79 and 1979-80 consecutively for two years he had to perform the General Secretaryship of Assam Sahitya Sabha. In 1980-81 he became the Vice President of this organization. He was elected as the President of Dibrugarh District Sahitya Sabha in the yr. of 1983 and in the same year he presided over the Historical conference of Assam Sahitya Sabha at Bongaigaon.

In 1994 he became the President of Assam Sahitya Sabha. Over and above, he had to work as a producer of 'Spoken board' of Guwahati Radio Centre in 1963. In 1973 he was appointed as a member of **Assam Prakasan Parisad** and had to perform the works of Text Book production and publishing Co-ordination committee. From 1973 to 1990, he was an executive member of National Text Book production Executive committee and National Terminology Production Committee. Dr. Gogoi was also appointed as a critic of Sahitya Academy and was appointed as a translator of National Book Trust, New Delhi. Not only that,





he was an executive member of the Governing body of D.S.H.K. and Sibsagar College for a few years.

He began his service life at Sibsagar town high school as a Teacher. Later he became a lecturer in Assamese at Gargaon College and in 1964 he got appointment as a lecturer in Sibsagar College in the same Department. In 1968, he joined in the Department of Assamese in Dibrugarh University as Lecturer and at the same time he had to perform the secretaryship of the Text Book Production Committee. In 1984, he was promoted as Reader and in 1990 he became professor and retired in the same year.

Dr. Gogoi was a simple man. He was out spoken, brave, clean with sound health. He wrote fifty six creative books including history to the Assamese literature, which makes him great. ✪

# NEO-VAISHNAVISM AND SRIMANTA SANKARDEVA

**Rubul Khataniar**
Lecturer, Dept. of History

Srimanta Sankardeva was the founder of New Vaishnavism in Assam in (1449-1569). Sankardeva has left a deep impress on Assamese culture and literature, on Assamese religion and way of life. He was a great talented man, phophet man, with his encyclopedic knowledge, magnatic personality and brilliant power of exposition, he lead the Assamese culture and literature its Zenith. Sankardeva wrote many books and articles which is regarded as the great treasures of modern times.

Sankardeva was born in a Bhuyan family in Alipukhuri, it is about Sixteen miles from the present town Nowgaon, on the north bank of the Brahmaputra, in 1371 Saka (1449 A.D.). The Bhuyan was regarded in a very high status peoples in that time. Sankara family is called the Siromon Bhuyan, he was the Chief of the other Bhuyan. His father was Kusumavara His mother died after the three days of his birth, and he was brought up by his grandmother Khersuti. In the age 12 he was sent to school, maintained by Mahendra Kandali.

The earlier life of Sankardeva were spent in hard study and preparation. When the time passed he showed his talent and intelligence in Sanskrit. After the death of his father and death of his wife Sankara felt very sorry and set out for Pilgrimage in 1481 A.D. Mahendra Kandali also went with him. The details of his Pilgrimage is describe in the biography of Sankardeva. He visited most of the sacred places of Northern and Southern India. At that time he came into contact with Vaishnaviate teachers of various schools and entered with them many learned and theological discussions.

The result of these discussion and the influence of that meeting he was learning to Vashnavism. After the return of from abroad, he married again. Now his mission of life took a definite shape, he started with fresh impetus and vigorous enthusiasm his religious movement for mass conversion. At Bordowa he set up a Satra (monastery) erected a Namghar and held religious discussion. Around him, he collected a group of people and daily practicing the religious discussion known as Namkritana.

At the age of Sixty Seven (1516 AD) Sankardeva held to leave his residence. At last he reached in Majuli and established a a Satra in 'Dhuwahata' and he stay here was marked by two important incidents. First incident was he met Madhabdeva then, who later on became the greatest apostle and the most formidable exponent of the tenets of Sankardeva. The second incident was Sankara was disliked by the Brahmana. So they accused before the Ahom king. Suhungmung, then Ahom king summoned Sankara to argu with the Brahmana of his Court. Sankara defeated them and got off from the trial with credit. Another unhappy incident related to elephant catching forced Sankardeva to leave Assm forever, then Sankardeva fled away to Coochbihar. He journeyed to Barpeta and at Patbausi, he established Satra with Namghar.

The rest of his life, Sankardeva remained at the place in comparative peace. He used to regular religious discussion and practices the Vaishnava religion teachings. Sankardeva converted three Brahmana disciples. Damodardeva, Harideva and Ananta Kandali, Damodardeva and Harideva both with equal zeal, spread the teachings of Sankara. On Sankardeva death they set up special sects after their own names. From that time New-Vaishnavism has been developing and practicing regularly in Assam by the different Satras and the different institution.

# A BRIEF ACCOUNT OF THE GESTATION AND BIRTH OF DULIAJAN COLLEGE MUSEUM

**Nabin Chandra Gohain**
Ex-Principal i/c and Co-ordinator, IQAC
Duliajan College

While the preparatory works were going on for the visit of the NAAC Peer Team for accreditation and assessment of Duliajan College various associations, forums and councils were constituted with the initiative of the different departments of the college. One such association is Duliajan College History Association which was set up with the faculty members and students of the History Department of the college. During the period preceding the NAAC Peer Team's visit, certainly a very crucial period, I, being the Principal-in-charge of the college, had several hectic and separate discussions with all the associations and forums about the healthy practices of the college. Smt. Sarojini Devi Gohain and Sri Bhupen Saikia, President and Secretary respectively of the History Association, put forward a suggestion that the addition of a college museum to the already existed other healthy practices in the college would be another worthy benchmark for accreditation by the visiting NAAC Peer Team. Another justification was the utility of the museum, because it would serve as an effective platform to gratify the archeological inquisitiveness of the students.

Thus a Museum Committee was formed in collaboration with the college authority, teachers of the various departments and student representatives. Collection of museum articles was started and the collected artefacts were archived in the departmental room of the History Department. Several generous persons of the locality parted with their treasured possessions of ancient





artefacts to enrich the budding museum. The NAAC Peer Team that visited the college in December, 2004, for the first assessment of the College, highly appreciated the museum which was then housed in the History Department's room. The generosity of Smti. Basanti Hazarika of Dibrugarh District Council must be acknowledged, because in response to our request she had sanctioned as sum of Rs. 4.48 lakhs from her area development fund to construct the museum building which was built as designed by the local architect Sri Aboni Bora. The local MLA Sri Rameswar Teli also helped a lot to complete the building. ○

**LONG LIVE DULIAJAN COLLEGE MUSEUM**

# DEPARTMENTAL REPORT 2006-2007

## DEPARTMENT OF HISTORY

### DULIAJAN COLLEGE

The Subject of History which has been introduced in the college at the time of establishment of the college and since the time of beginning of the college it has been contributing a good results. In the year of 1995, Major Course has been introduced with two sanctioned and two non-sanctioned posts of lecturers. In January 2006, Mrs. S. D. Gohain, Head of the department assumed the chair of Vice-Principal.

**1. Faculty members of the department of History :**

(i) Mrs. S. D. Gohain, Head & Vice-Principal
(ii) Shri Bhupen Saikia, Sanctioned post.
(iii) Mrs. Anita Gohain Baruah, Non-Sanction.
(iv) Shri Rubul Khatoniar, Non-Sanctioned.
(v) Shri Bhaben Khanikar, Contractual.

**2. Results :**

Usually, in very academic year the department has been showing a satisfactory result in both H. S. & T. D. C. Final Examinations.

**3. Library of the Department :**

There are more than eleven hundred books in the History section of the General Library of our college. In addition to there are also journals. Magazines. The College authority always trying to add the book in this section. Besides the General Library, the Department also maintains a library of its own where keeps 187 books at this moment. Moreover, the department has a **map house** where keeps varieties of maps like regional, national and international.





**4. Historical Museum :**

We are very glad to inform you that the department has established a museum for the benefit of the students of the college. It is worth mentioning that many leading citizens of this locality have generously responded to our appeal and freely donated to our museum some valuable articles and antiques of importance, both historically and culturally. Among these, there are books, hand written scriptures and folioes, hand made casket of bamboo of olden times, coins, replice of Mughal Architecture and many other things of traditional Assamese culture and society. In this regard, I would like to inform you that Sri Balubhadra Mahanta, a skilled Artist of Sowkajan Gajala Satra, Nazira has donated varities of antiques and dole, bird, fish, Singhasan etc. made of bamboo, wood and cement. In this moment, we offered our heartiest thanks and gratitude to Mr. Mahanta. We are also happy that the building grant of the Museum 4 lakhs 48 thousand is offered by Mrs. Basanti Hazarika, Member of Jila Parishad, Duliajan which has been completed and opened to the students on 4th December, 2006. In the opening function on that day Dr. S. D. Goswami of Dibrugarh University, Mr. Rameswar Teli, Local M.L.A, Mr. P. K. Hazarika, Ex-Principal of our college and other leading citizens of this locality were present. Mrs. Basanti Hazarika opened the museum and handed over the building to the college authority.

**5. Co-curricular Activities :**

As part of co-curricular activities, the department organized two In-House Seminars on the following topics.

i) **A historical study on the origin of the name of Assam** on 6 September, 2006 which was presided over by Mrs. S.D. Gohain, HOD and Vice-Principal of the College.

ii) **Reopening of the Steelwell Road and its impact on the economy & society of the North-East** on 4-11-2006 presided over by Mrs. Anita Gohain Baruah.

All the teachers and students of the faculty were present in these Seminars and took part in discussions, which were more beneficial to the students as well as teachers.

**6. Field Works :**

i) Visited Tai Villages of Tipam phake and Nam Phake on 7th September, 2006 with all Major and Pass course students.

ii) Visited Cecha Satra of Chachani on 4th November, 2007.

**7. Departmental Publication :**

i) Published two issues of Wall Magazine.

ii) Journal of History (2006-2007).

**8. Establishment of Travel & Tourism Management Certificate Course.**

The Official correspondence for the establishment of Travel & Tourism Management Certificate Course has been completed in the last year 2006-07 and the classes of the said course has been started from 6th August 2007. Miss Babita Baruah has been allotted as a teacher in the course.

**9. Teachers who have been registered for Ph. D. :**

| Name | Guide | Subject |
|---|---|---|
| a) Mr. Bhupen Saikia | Dr. S. L. Baruah | Expansion of the Neo-Vaisnavite Movement in Assam and Sri Sri Gopaldeva. Dibrugarh University |

**10. Teachers who have been registered for M. Phil :**

| Name | University | Subject |
|---|---|---|
| a) Mrs. Anita Gohain Baruah | Pariyar University | Effects of Modernism Tamilnadu on the Tai-Phake of Naharkatia. |

| Name | University | Subject |
|---|---|---|
| b) Mr. Rubul Khatoniar | – do – | The Contribution of the Satras towards the Socio-Economic upliftment of Majuli in Assam, special reference the Dakhin Pat Satra. |





**11. Dignitories visited the Department, 2006-07 :**

i) Dr. S. D. Goswami, Professor, Dibrugarh University.

ii) Mr. S. K. Borah, G. M., Oil, Duliajan.

iii) Mr. R. Teli, M. L. A., Duliajan.

iv) Mr. H. K. Shahu, DPI. Higher Education, Guwahati

**12. Participation in Seminar/Conference etc. in 2006-07 :**

| Name of the Teachers | Seminar/Conference |
|---|---|
| a) Bhupen Saikia | 1. International Conference on **Bhakti Movement & Srimanta Sankardeva** from 9th March to 11th March, Guwahati, 2007 |
| | 2 National Seminar on **Ecology & Environment in North-East India Past and Present** on 27th & 28th March, 2007. D. U. |

**13. Professional growth of the Faculty Members : Research Papers, books, monographs etc. published :**

| | Name of the Teacher | Title of Publication | Name of Journal |
|---|---|---|---|
| 1. | Sri Bhupen Saikia | Purnamurti Sri Sri Gopaldeva (Ass) | Dainik Agradoot 2nd Nov.,2006 |
| | | Sri Sri Gopaldeva | Garima, November, 2006 |
| | | Asamiya Lekhika Jagatat Ebhumuki | Garima, January, 2007 |
| | | Ambikagiri Rai | Garima, March, 2007 |

| Name of the Teacher | Title of Publication | Name of Journal |
|---|---|---|
| | Choudhury | |
| | Sarat Ch. Goswami | Souvenir, Assam Sahitya Sabha Chapar Conference, 2007 |
| | Smitir Patat Assam Andolan | Souvenir Duliajan Anchalik Satra Santha, 13thJan., 2007 |
| | Bihu, Magh Bihu, Bicharak etc. | Bakhar, Souvenir Mohmari Merbil Regional Bihu Sanmilon. |

14. **Plan for New Session 2007-2008 :**
    a) A State Level Seminar.
    b) Four In-House Seminars.
    c) One Excursion.
    d) Two local visits for the collection of historical data.
    e) Two issue of Wall Magazine.

15. **Others :**

The students of the department of History as well as the teachers took part in Games, Sports and literary activities of the college. All the teachers are involved in conducting internal examinations of the college.

At last, we take this opportunity to offer our sincere thanks and gratitude to Mrs. S. D. Gohain, Vice-Principal as well as the college authority for their kind co-operation and necessary help in the smooth maintenance of the Department.

**Bhupen Saikia**
Head i/c
Department of History
Duliajan College, 2007






*With best compliments from :*

ASSAM GAS COMPANY LTD
(A GOVT. OF ASSAM UNDERTAKING)

An ISO 9001 Company

*The leader in Natural Gas collection, processing, Transportation and Distribution Business in North East India and Hoping to expand beyond the horizon of North East.*



Providing Natural gas as energy source and raw material to Industries, Commercial establishment and domestic households.

ASSAM GAS COMPANY LTD
(A GOVT. OF ASSAM UNDERTAKING)

P. O. DULIAJAN, DIST. DIBRUGARH, ASSAM, 786 602
TEL : (0374) 2800558, 2800556, 2800202, 2800221
FAX : (0374) 2800557, e-mail : assamgas@sancharnet.in
Visit us : www.assamgas.org

*Committed to sustained excellence in growth, performance, customer care, safety standard and in environment protection.*